গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰৱাহ

শুকুৰবাৰ ● ২ জানুৱাৰী ২০২৬/১৭ পুহ ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ ● সংখ্যা - ৩৭ ● Vol - 14, Issue - 37

অসমৰ সমূহ পঢ়ুৱৈ, বিক্ৰী কৰোতা, বিজ্ঞাপন দাতালৈ 'অসম প্ৰৱাহ'ৰ তৰফৰ পৰা নৱবৰ্ষৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

— সম্পাদক

# নতুন ইতিহাস সৃষ্টিৰে 'বটদ্ৰৱা প্ৰকল্প' মুকলি গৃহমন্ত্ৰী অমিত শ্বাহৰ

## দেশৰ পৰা বেদখলকাৰীক বিচাৰি বিচাৰি উচ্ছেদ কৰাটো বিজেপিৰ লক্ষ্য ঃ অমিত শ্বাহ





**বটদ্ৰৱা প্ৰকল্প থলীৰ পৰা জয়ন্ত মুদৈ ঃ** অসমবাসীৰ বাবে ২৯ ডিচেম্বৰৰ দিনটো এক ঐতিহাসিক দিন হিচাপে জিলিকি থাকিব। কিয়নো, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান পূন্যভূমি বটদ্ৰৱা থানত এই দিনটোতে নতুন ইতিহাস সৃষ্টি কৰি মুকলি কৰা হয় বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্প তথা শ্ৰীমন্ত শংকৰদেৱ আবিৰ্ভাৱ ক্ষেত্ৰ। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আনুষ্ঠানিকভাৱে মুকলি কৰিলে বহু প্ৰত্যাশিত এই প্ৰকল্প। দবা, নেগেৰা, শংখ, কালি, খোল তাল, আয়তীৰ মংগল উৰুলিৰ ধ্বনিৰ মাজেৰে ঐতিহাসিক ক্ষনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালক লগত লৈ বটদ্ৰৱা প্ৰকল্প মুকলি কৰে অমিত শ্বাহে। দুপৰীয়া প্ৰকল্প স্থলীত হেলিকপ্টাৰেৰে পদাৰ্পণ কৰে গৃহমন্ত্ৰী অমিত শ্বাহে। ইফালে, বটদ্ৰৱা থান পৰিচালনা সমিতিয়ে শৰাই, কুঁহিলাৰ কঠ, চেলেং চাদৰ , গামোছা, ময়ুৰ আসনেৰে গৃহমন্ত্ৰী অমিত শ্বাহক আদৰণি জনায়। বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সভাপতি অম্লান জ্যোতি দেৱ গোস্বামী, সাধাৰণ সম্পাদক লাচিত বৰদলৈ, উপদেষ্টা ব্ৰজেন কাকতিকে আদি কৰি বটদ্ৰৱা থানৰ কাৰ্যকতাসকলে আদৰণি জনায়।

১০ পৃষ্ঠাত













## নৱবৰ্ষৰ শুভেচ্ছা

### ড° নগেন শইকীয়া



চাওঁতে চাওঁতেই এটি নতুন বছৰে দেখা দিলে। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিগতভাৱেও মানুহে নতুন বছৰ উপলক্ষে শুভেচ্ছা জনাই নিজৰ মনোভাৱ ব্যক্ত কৰিব বিচাৰে। মই আশা কৰোঁ-বিভিন্নজনক প্ৰদান কৰা এই শুভ বাৰ্তাই পাঠকসকলক আনন্দ প্ৰদান কৰিব। সকলোৰে মনোবাঞ্ছা পূৰ্ণ হওক।

### সাহিত্যাচাৰ্য্য ড° কৰবী ডেকা হাজৰিকা



বিশ্ববাসীৰ মন উৎফুল্ল কৰি আহি আছে নতুন বছৰ। এই মুহূৰ্তত সকলোৰে মন আশাৰে ভৰা। পাৰ হৈ যোৱা বছৰটোত পৃথিৱীয়ে দেখিলে হিংসা আৰু সংগ্ৰামৰ নিষ্ঠুৰ ৰূপ। অসম তথা ভাৰতে হেৰুৱালে একাধিক মণি-মুকুতাৰ দৰে ব্যক্তি। ইমানৰ মাজতো আমি আশাবাদী। অনাগত দিনত হওক হিংসা আৰু বৈষম্যহীন সমাজৰ গঠন। মানুহে বুজি পাওঁক মানৱতাৰ মূল্য। অসমবাসীৰ বাবে নতুন বছৰে কঢ়িয়াই আনক সুস্থ সময় আৰু সুস্থ মানৱতাৰ বাণী। সুখ আৰু শান্তিৰে ভৰা সময়ৰ কামনাৰে সকলোকে জনালোঁ শুভ নৱবৰ্ষৰ শুভকামনা।

# নৱবৰ্ষৰ শুভেচ্ছাৰে

■ আয়শা ছিদ্দিকা (আছৰি)
বাংলিপাৰা, বৰপেটা

সময় বোৱতী নদীৰ দৰেই বৈ যায় অলপো ৰৈ নথকাকৈ। এনেকৈয়ে আমাৰ জীৱনৰ পৰা ক্ষুদ্ৰ ক্ষুদ্ৰ পল অনুপল মিলি ছেকেণ্ড, ঘণ্টা দিন মাহ বছৰ পাৰ হৈ গৈ আছে। জানুৱাৰীৰ পৰা ডিচেম্বৰ একেই নিয়ম অনুসৰণ কৰি। আমি লিখা চনৰ মাত্ৰ শেষৰ আখৰ সলনি হৈ আছে জীৱনত যাৱতীয় সমস্যা, দ্বন্দ, সকলো একেই তাৰ কোনো নতুনত্ব নাই। পুৰণি বছৰে দিয়া দুখ, যন্ত্ৰণা,আবেগ, সকলো লৈয়ে পদাৰ্পণ কৰা হয় এক নতুন এটা তাৰিখত। জীৱন একেই সমস্যা একেই মাথোঁ সলনি হয় কেলেণ্ডাৰ আৰু তাৰিখ। তথাপি এদিনৰ কাৰণে হ'লেও সকলো পাহৰি নতুন বছৰৰ আগমণত সময়ৰ সোণালী পাতত এখন নতুন অধ্যায়ৰ সূচনা কৰে। পুৰণি বছৰটোৰ পৰা লগত লৈ যায় অভিজ্ঞতা, স্মৃতি, শিক্ষা আৰু কেতিয়াবা কিছু অনুশোচনা। অংকণ কৰে নতুন আশা, নতুন সপোন, নতুন সংকল্পৰ ৰেখা। বছৰৰ প্ৰথম দিনটো জীৱনৰ এখন সতেজ পাত স্বৰূপ তাতে লিখে নতুন ইচ্ছা, নতুন লক্ষ্য। পুৰণি বছৰৰ ভুল-ত্ৰুটি, বাধা-বিঘিনি যেন হৈ পৰে আগন্তুক পথৰ পদৰ্শক। প্ৰতিটো প্ৰত্যাহ্বানে শিকোৱা, প্ৰতিটো পৰাজয়ে দিয়া নতুন দৃষ্টিভংগীৰে আগুৱাই যোৱাৰ পণ কৰে। নতুন চন নতুন তাৰিখত সংকল্পবদ্ধ হ'ব লাগে পাৰ হৈ যোৱা সময়ত কৰা ভুলবোৰ পুনৰাবৃত্তি নকৰিবলৈ, পুৰণি সমস্যাৰ প্ৰভাৱ আগন্তুক সময়ত জীৱনৰ কোনো ক্ষণত নপৰিবলৈ, সমাজত চলি থকা হিংসা, বিবাদ, অমানৱীয় কৰ্ম, অনৈতিক কাম সকলো এৰি এক নতুন মানসিকতাৰে একতাৰ এনাজৰীৰে বান্ধ খাই মানৱতাৰ চাদৰত মেৰিয়াই নতুনকৈ সুন্দৰ জীৱন আৰম্ভ কৰাৰ প্ৰতিজ্ঞাবদ্ধৰ। জীৱন কালত আহি থকা প্ৰতিটো দিন সকলোৰে আৰু সুন্দৰ হৈ উঠক। প্ৰতিটো ক্ষণ প্ৰতিটো দিন নতুনৰূপে আৰু উজ্বলিত হৈ পৰক। স্বাৰ্থৰ ৰোষত মানৱতা একতাৰ নাশ নহৈ ভাতৃত্ববোধ আৰু শক্তিশালী হওক। এই নতুন বছৰে সকলোৰে জীৱনত শান্তি, সমৃদ্ধি আৰু সুখৰ বৰ্ষা হওক, এই নতুন সূৰ্যোদয়ে আৰু উজ্বলতাৰ উজলাই তোলক মানৱতাৰ পথ। সকলোৰে জীৱনত নতুন বছৰৰে কঢ়িয়াই আনক নতুন চিন্তা নতুন উদ্যম।

ম'বাইল ঃ ৯৩৬৫৬-৮১৯৬৮

# বজালীৰ ৰিহাবাৰীত অসম সাহিত্য সভাৰ ১০৯ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস উদ্‌যাপন


**ৰমেন ভৰালী, বংশৰ ঃ** অতীতৰ লগতে আধুনিকতাৰ দবা শংখ বজাব পাৰিব লাগিব; নদীৰ ভেটা ভাঙি যোৱাৰ দৰে এতিয়া অসম সাহিত্য সভাৰ মজিয়ালৈ ন-ন আজীৱন-হিতৈষী সভ্যৰ সোঁত বৈছে। অসমৰ ৰাইজৰ আশীষ নিৰ্মালিয়েই আমাৰ শিৰৰ মুকুট; অসমৰ ৰাইজে সাহিত্য সভাক মন-প্ৰাণ আৰু দেহেৰেও ভাল পায়। বজালী জিলাৰ অন্তৰ্গত ৰিহাবাৰী শতদল সাহিত্য সভাৰ উদ্যোগত আৰু বৰপেটা, চিৰাং, বাক্সা জিলা সাহিত্য সভাৰ সহযোগত অসম সাহিত্য সভাৰ ১০৯ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত সভাপতিত্ব কৰি অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে এইদৰে কয়। ভাষণ প্ৰসংগত তেওঁ লগতে কয় যে- মনুষ্যত্বৰ সাধনাৰে শিশুক জীৱনমুখী কৰি তুলিব লাগিব; পৰীক্ষা শিক্ষা নাটকৰ শেষ দৃশ্যলৈ ৰূপান্তৰিত হোৱাটো আমাৰ সমাজখনৰ বাবে ধনাত্মক ইংগিত নহয়। বজালী জিলাৰ পূব ৰিহাবাৰীৰ মদন-ৰাউতা সমন্বয় ক্ষেত্ৰত যোৱা ২৭ ডিচেম্বৰত অনুষ্ঠিত হোৱা প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে মৰাণ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অনিল শইকীয়াই। সাৱলীল ভাষণ প্ৰদান কৰি তেওঁ কয় যে- 'অসমীয়া সাহিত্যৰ ইতিহাস লিখা প্ৰক্ৰিয়াটো বহুত শক্তিশালী'। সভাত উদ্দেশ্যৰ কথকতা প্ৰসংগত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই কয় যে- অসম সাহিত্য সভা এক অবিৰত শোভাযাত্ৰা, এই শোভাযাত্ৰাই ১০৯ বৰ্ষ অতিক্ৰম কৰিছে। সভাই সাৰ্বিকতাৰে ভাষা সাহিত্য সংস্কৃতিৰ উন্নতি সাধন কৰিবলৈ অহৰহ চেষ্টা চলাই আছে; কেৱল ৰাজপথৰ আন্দোলনে ভাষা ৰক্ষা নকৰে। বৰপেটা শিক্ষা খণ্ডৰ প্ৰাথমিক শিক্ষা বিষয়া লীলাধৰ দাসে উদ্বোধন কৰা সভাখনত মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ড° বিনীতা বৰা দেৱ চৌধুৰীয়ে। জালাহঘাটৰ ডাঃ অচ্যুত চন্দ্ৰ মেধিক বিশেষ সম্বৰ্ধনা জনোৱা সভাখনত অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° জগদীশ পাটগিৰিয়ে স্মৃতিগ্ৰন্থ 'ৰিহাবাৰী দৰ্পণ' উন্মোচন কৰি কয় যে অসম সাহিত্য সভাৰ তুলনা সম্ভৱ নহয়। বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰি অসম সাহিত্য সভাৰ উপসভাপতি পদুম ৰাজখোৱাই প্ৰতিষ্ঠা দিৱসৰ দিনটোত সভাৰ প্ৰতিগৰাকী সদস্যক শুভকামনা জনাই প্ৰতিজন অসমীয়াকে অসম সাহিত্য সভাৰ সৈতে সম্পৃক্ত হৈ জাতীয় অনুষ্ঠানটোক শক্তিশালী ৰূপত আগবঢ়াই নিবলৈ অনুৰোধ জনায় আৰু কয় যে অসম সাহিত্য সভা অসমীয়া জাতীয় জীৱনৰ গুৰুত্বপূৰ্ণ অংগ। দিনৰ ১.৩০ বজাৰ পৰা চিৰ চেনেহী মোৰ ভাষা জননী গীতেৰে শুভাৰম্ভ হোৱা সভাখনত অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মা, প্ৰাক্তন প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মা, অসম সাহিত্য সভাৰ মঙ্গলদৈ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক বসন্ত শইকীয়া, জনগোষ্ঠীয় ইতিহাস প্ৰকল্পৰ আহ্বায়ক হেৰম্ব কলিতা, সাংস্কৃতিক উপ-সমিতিৰ কাৰ্যকৰী সভাপতি ডাঃ মৃণ্ময় কুমাৰ নাথ, বিত্ত উপ-সমিতিৰ উপসভাপতি বংকিম বৰুৱা, কেন্দ্ৰীয় প্ৰচাৰ আহ্বায়ক শংকুসিদ্ধ নাথ, ধুবুৰী আঞ্চলিক কাৰ্যালয়ৰ সাংগঠনিক সম্পাদক ধৰ্মেশ্বৰ দাস, গুৱাহাটী কাৰ্যালয়ৰ সাংগঠনিক সম্পাদক ডিম্বেশ্বৰ পাঠক, জালাহ আঞ্চলিক কাৰ্যালয়ৰ প্ৰাক্তন সম্পাদক বদ্ৰী গুড়াগাড়ী, আদৰণী সমিতিৰ সভাপতি তথা জালাহ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক নয়নমণি চৌধুৰী, পৰিৱেশ্য কলা সংৰক্ষণ আৰু সংবৰ্ধন উপসমিতিৰ আহ্বায়ক চৈয়দ মাৰুফ হুছেইন, আকাশ উপ-সমিতিৰ আহ্বায়ক মানসী শইকীয়া, তথ্য প্ৰযুক্তি উপ-সমিতিৰ আহ্বায়ক স্বৰ্গজ্যোতি চেতিয়া, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ভূমিধৰ ৰয়, হংস ৰয়, অঞ্জনা গগৈ প্ৰমুখ্যে অৰ্ধশতাধিক বিষয়ববীয়া, অসম সাহিত্য সভাৰ আগন্তুক ২০২৬ পঞ্চৰত্ন গুৱাহাটী অধিবেশনৰ আদৰণি সমিতিৰ সভাপতি হীৰালাল বৰা, সম্পাদক বিজু দেৱী, কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ বৰ্মন, ধুবুৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক বিনয় কুমাৰ নাথ, নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক পংকজ বেজবৰুৱা প্ৰমুখ্যে বহু সংখ্যক বিষয়ববীয়া, জিলা প্ৰতিনিধিয়ে অতিথি হিচাপে অংশগ্ৰহণ কৰে। ইয়াৰ পিছতে সন্ধিয়া ৬ বজাৰ পৰা আৰম্ভ হোৱা সাংস্কৃতিক অনুষ্ঠানত আমন্ত্ৰিত আৰু স্থানীয় শিল্পীসকলে নৃত্য গীত পৰিৱেশন কৰে। পুৱা কাৰ্যসূচী অনুসৰি ৯ বজাত অসম সাহিত্য সভাৰ মূল পতাকা উত্তোলন কৰে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে আৰু লগতে আন ১০৯ খন পতাকা উত্তোলন কৰে অসম সাহিত্য সভা, জিলা সাহিত্য সভা, শাখা সাহিত্য সভাৰ বিষয়ববীয়া, প্ৰাক্তন কেন্দ্ৰীয় বিষয়ববীয়া তথা নিৰ্বাচিত ব্যক্তিসকলে। ৯-৩০ বজাত অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি পদ্মনাথ গোহাঞিবৰুৱা, অসমৰ হৃদস্পন্দন ড° জুবিন গাৰ্গ আৰু সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত স্মৃতি তৰ্পণ কৰে ৰিহাবাৰী শতদল শাখা সাহিত্য সভাৰ সভাপতি বীৰেন্দ্ৰ কুমাৰ সিংহ প্ৰমুখ্যে কেন্দ্ৰীয় বিষয়ববীয়াসকলে। ইয়াৰ পিছতে ১২ বজাত বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাৰ উদ্বোধন কৰে অসমৰ জনপ্ৰিয় অভিনেত্ৰী ভ্ৰান্তি মেধি আৰু বলিষ্ঠ অভিনেতা সঞ্জীৱ শৰ্মাই। উল্লেখ্য যে, যোৱা ২৫ ডিচেম্বৰত প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি পুৱা ১১-৩০ বজাত চিত্ৰাংকণ প্ৰতিযোগিতা, আবেলি ২ বজাত ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ গীতৰ আধাৰত সংগীত প্ৰতিযোগিতা, সন্ধিয়া ৪ বজাত বিষ্ণু-জ্যোতিৰ গীতৰ আধাৰত নৃত্য প্ৰতিযোগিতা আৰু ৬ বজাত স্থানীয় শিল্পীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান সম্পন্ন হয়। দ্বিতীয় দিনাৰ কাৰ্যসূচী অনুসৰি ২৬ ডিচেম্বৰ শুকুৰবাৰে পুৱা ১০ বজাত শ্ৰদ্ধাৰ্ঘ্য অনুষ্ঠান, পুৱা ১২.৩০ বজাত 'জনগোষ্ঠীয় সমন্বয় সম্মিলন' অনুষ্ঠিত হয়। জনগোষ্ঠীয় ইতিহাস প্ৰকল্পৰ আহ্বায়ক হেৰম্ব কলিতাই আঁত ধৰা সভাখনত অসম সাহিত্য সভাৰ উপসভাপতি পদুম ৰাজখোৱা, প্ৰাক্তন প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মা প্ৰমুখ্যে বহু সংখ্যক জনগোষ্ঠীয় প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। আবেলি ৩.৩০ বজাত মহিলাসকলৰ বাবে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় অনুষ্ঠান 'আকাশ'ৰ উদ্বোধন কৰে বাক্সা জিলা সাহিত্য সভাৰ উপ-সভাপতি মানসী নাথে।




# শিৱসাগৰৰ মেলাচকৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত ৪১ সংখ্যক ৰাস মহোৎসৱৰ সফল সামৰণি



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** ঐতিহাসিক শিৱসাগৰ চহৰৰ মেলাচকৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত অলপতে দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৪১ সংখ্যক শ্ৰীশ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ সফলতাৰে অনুষ্ঠিত হৈ যায়। সুদীৰ্ঘ বিৰতিৰ অন্তত আয়োজিত এই সৰ্বাংগসুন্দৰ ৰাসলীলা দৰ্শন কৰি মেলাচকৰৰ ৰাইজ আপ্লুত হৈ পৰে। এই সফলতাৰ আঁৰত আছিল উদ্‌যাপন সমিতিৰ সদস্যসকলৰ লগতে মেলাচকৰবাসীৰ দীৰ্ঘদিনীয়া পৰিশ্ৰম আৰু ঐকান্তিক সহযোগিতা। বিশেষকৈ উদ্‌যাপন সমিতিৰ সভাপতি দিলীপ চিলাওজা, কাৰ্যকৰী সভাপতি অনিল কাকতি, সম্পাদক প্ৰজ্ঞান দুৱৰা, সহ-সম্পাদক নীলোৎপল কাকতি, চন্দ্ৰ উৎপল বৰা আৰু দেৱজিৎ কাকতিৰ লগতে স্থানীয় বিশিষ্ট ব্যক্তিসকলৰ প্ৰচেষ্টা শলাগিবলগীয়া। আখৰাৰ আৰম্ভণিৰ পৰাই প্ৰতিগৰাকী সদস্যই দেহে-কেহে খাটি নিজ নিজ দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ ফলতেই অনুষ্ঠানটি সাফল্যমণ্ডিত হৈ উঠে। ৰাসখনৰ নৃত্য পৰিচালনা কৰিছিল নিতুল বৰবায়নে আৰু নাট পৰিচালনাৰ দায়িত্বত আছিল ৰমেন হাজৰিকা তথা গৌতম দত্ত ফুকন। ৰাস-নৃত্যৰ পৰা অভিনয়লৈকে প্ৰতিটো দিশতে শিল্পীসকলে নৈপুণ্য প্ৰদৰ্শন কৰে। বিশেষকৈ কংসৰ চৰিত্ৰত হৰি হাজৰিকাৰ বলিষ্ঠ অভিনয়ে দৰ্শকক মন্ত্ৰমুগ্ধ কৰাৰ লগতে নাটকখনলৈ এক বিশেষ মাত্ৰা প্ৰদান কৰে। দৈৱকীৰ চৰিত্ৰত যুৱ অভিনেত্ৰী ত্ৰিৱেণী কাকতিৰ সাৱলীল অভিনয় আৰু মৰ্মস্পৰ্শী সংলাপ নিক্ষেপে দৰ্শকৰ মনত দকৈ সাঁচ বহুৱাবলৈ সক্ষম হয়। একেদৰে বসুদেৱৰ চৰিত্ৰত প্ৰাঞ্জল চেতিয়া আৰু কুকিল দত্তৰ সুন্দৰ অভিনয়েও ৰাইজৰ ভূয়সী প্ৰশংসা বোটলে। লগতে চন্দ্ৰ চৰিত্ৰত অভিনয় কৰা জ্ঞানদ্বীপ বৰুৱা আৰু নন্দৰ চৰিত্ৰত অভিনয় কৰা অভিনেতা ৰুমীন বৰুৱা অভিনয় আছিল প্ৰশংসনীয়। ৰাসভাগিত বিভিন্ন চৰিত্ৰত অভিনয় কৰা আন শিল্পীসকল হ'ল- শশাংক দাস (কালকেতু), হিমাংশু ডেকা (বিষ্ণু), প্ৰতিবন্যাস শ্ৰুতি কাশ্যপ (লক্ষ্মী), ৰক্তিম দাস (ইন্দ্ৰ আৰু অসুৰ), ৰনদ্বীপ হাজৰিকা (শিৱ), দীপশিখা ডেকা (পৃথিৱী), ৰন্টু দত্ত (ব্ৰহ্মা), পলাশ প্ৰতিম বৰুৱা (কৃষ্ণ), ত্ৰিকালন্য হাজৰিকা (বলৰাম), কাব্যশ্ৰী বুঢ়াগোহাঁই আৰু ঋতুশ্ৰী কলিতা (যশোদা), বৰ্ণিল হাজৰিকা (নাৰদ), ৰন্টু কাকতি (গৰ্গ মুনি), পাহি কুমাৰী (মহাৰাসৰ কৃষ্ণ) আৰু গৰিমা বৰুৱা (ৰাধা)।



# গণতন্ত্ৰত জনমতৰ গুৰুত্ব

■ হিমাংশু ৰণ্জন ভূঞা,
জামুগুৰিহাট

গণতন্ত্ৰৰ সৰ্বোচ্চ আদৰ্শ হৈছে জনসাধাৰণৰ সৰ্বোচ্চ ক্ষমতাৰ প্ৰতিষ্ঠা আৰু এই সৰ্বোচ্চতা জনমতৰ নিৰন্তৰ প্ৰকাশ আৰু স্বীকৃতিৰ জৰিয়তেহে বাস্তৱ ৰূপত পৰিগণিত হয়। জনমত হৈছে কেৱল ৰাজনৈতিক সন্মতিৰ এক আনুষ্ঠানিক প্ৰকাশ নহয়, ই সমাজৰ সকলো স্তৰত বিৰাজমান সামূহিক চিন্তা-চৰ্চা, পাৰস্পৰিক বাৰ্তালাপ আৰু গভীৰ মননশীলতাৰ এক গতিশীল আৰু বিৱৰ্তনশীল ফল। ই কেৱল সংখ্যাগৰিষ্ঠৰ ইচ্ছাৰ প্ৰতিফলন নহয়, বৰঞ্চ ইয়াৰ অন্তৰ্ভুক্ত হৈ থাকে সংখ্যালঘুৰ প্ৰতিবাদ, দুৰ্বল শ্ৰেণীৰ আৰ্তনাদ আৰু ভৱিষ্যত প্ৰজন্মৰ প্ৰত্যাশা। গণতন্ত্ৰৰ প্ৰকৃত শক্তি, ইয়াৰ ন্যায়িকতা আৰু ইয়াৰ স্থিৰতাৰ ভেটি সম্পূৰ্ণৰূপে জনমতৰ সুস্থ বিকাশ আৰু ইয়াক সন্মানেৰে গ্ৰহণ কৰাৰ ওপৰত নিৰ্ভৰ কৰে। জনমত অবিহনে গণতান্ত্ৰিক শাসন ব্যৱস্থা এক নিৰ্জীৱ যান্ত্ৰিকতাত পৰিণত হয়, য'ত জনসাধাৰণৰ আৱেগ আৰু প্ৰয়োজনীয়তাৰ কোনো স্থান নাথাকে।

জনমতে গণতান্ত্ৰিক শাসনৰ নৈতিক আৰু ব্যৱহাৰিক উভয় বৈধতাকে গভীৰভাৱে প্ৰতিষ্ঠা কৰে। যেতিয়া কোনো চৰকাৰ জনসাধাৰণৰ স্বতঃস্ফূৰ্ত সন্মতি আৰু মুকলি অংশগ্ৰহণৰ দ্বাৰা নিৰ্বাচিত হয়, তেতিয়া ই এক অপ্ৰতিদ্বন্দ্বী নৈতিক ভিত্তি লাভ কৰে। এই নৈতিক অধিকাৰেই শাসকসকলক আইন প্ৰণয়ন আৰু কঠোৰ সিদ্ধান্ত গ্ৰহণৰ শক্তি যোগায়, কিয়নো জনসাধাৰণে বিশ্বাস কৰে যে সেই সিদ্ধান্তসমূহ তেওঁলোকৰ নিজৰ সামূহিক ইচ্ছাৰ প্ৰকাশ। জনমতৰ স্বীকাৰ্যতাই চৰকাৰ আৰু শাসিতৰ মাজত এক বিশ্বাসৰ সেঁতু গঢ়ি তোলে, যাৰ ফলত জনসাধাৰণে চৰকাৰী নীতিসমূহ স্বেচ্ছাই মানি লয় আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ প্ৰক্ৰিয়াত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। ইয়াৰ বিপৰীতে, যদি কোনো চৰকাৰে জনমতক দমন কৰে বা ইয়াক কেৱল ক্ষমতা দখলৰ আহিলা হিচাপে ব্যৱহাৰ কৰে, তেন্তে সেই শাসন ব্যৱস্থাৰ প্ৰতি জনসাধাৰণৰ গভীৰ অনাস্থা আৰু বিৰাগ জন্মে। ফলস্বৰূপে, সামাজিক বান্ধোন দুৰ্বল হয়, ৰাজনৈতিক অস্থিৰতা বাঢ়ে আৰু চৰকাৰে নিজৰ সিদ্ধান্তসমূহ কাৰ্যকৰী কৰিবলৈ প্ৰায়ে বল প্ৰয়োগৰ আশ্ৰয় ল'বলগীয়া হয়। জনমতৰ শক্তিৰ দ্বাৰাহে গণতন্ত্ৰই কেৱল এক আনুষ্ঠানিক গাঁথনি নহৈ এক জীৱন্ত, জনমুখী আৰু স্ব-নিয়ন্ত্ৰিত প্ৰণালী হিচাপে আত্মপ্ৰকাশ কৰে। এই মৌলিক বৈধতাইহে গণতন্ত্ৰক দীৰ্ঘম্যাদী স্থিৰতা প্ৰদান কৰে।

নীতি নিৰ্ধাৰণ আৰু আইন প্ৰণয়নৰ ক্ষেত্ৰত জনমত এক অপৰিহাৰ্য পথপ্ৰদৰ্শক আৰু সংশোধনকাৰী শক্তি। ৰাজহুৱা নীতিসমূহ কিমান ফলপ্ৰসূ হ'ব, সেয়া নিৰ্ভৰ কৰে ই জনসাধাৰণৰ প্ৰকৃত সমস্যাসমূহ কিমান দূৰলৈ সমাধান কৰিব পাৰিছে তাৰ ওপৰত। জনমতে শাসকগোষ্ঠীক জনসাধাৰণে সন্মুখীন হোৱা বাস্তৱ প্ৰত্যাহ্বান, যেনে জীৱনধাৰণৰ ব্যয়বৃদ্ধি, স্বাস্থ্যসেৱাৰ অভাৱ, বা নিবনুৱা সমস্যা, আদিৰ বিষয়ে এক গভীৰ আৰু প্ৰাথমিক জ্ঞান প্ৰদান কৰে। জনমতৰ বিস্তৃত বিশ্লেষণ অবিহনে, চৰকাৰে প্ৰস্তুত কৰা নীতিসমূহ কেৱল কাগজতে সীমাবদ্ধ হৈ থাকিব পাৰে আৰু তৃণমূল পৰ্যায়ত জনসাধাৰণৰ জীৱন স্পৰ্শ কৰিব নোৱাৰে। জনমতৰ অবিৰত প্ৰৱাহে শাসকসকলক তেওঁলোকৰ পূৰ্বৰ ভুল শুধৰাবলৈ আৰু সময়ৰ লগে লগে সলনি হৈ থকা সামাজিক চাহিদা আৰু প্ৰত্যাশাৰ প্ৰতি সংবেদনশীল হ'বলৈ বাধ্য কৰায়। এক সুস্থ আৰু সৰৱ জনমতে নীতিসমূহক অধিক বাস্তৱসন্মত, জনমুখী আৰু সকলোৰে বাবে গ্ৰহণযোগ্য কৰি তোলে। যদি নীতিসমূহ কেৱল কেইজনমান উচ্চপদস্থ বিষয়াৰ চিন্তাৰ ওপৰত ভিত্তি কৰি লোৱা হয়, তেন্তে সেইবোৰে জনসাধাৰণৰ মনত বিশ্বাস জন্মাব নোৱাৰে। জনমতৰ সক্ৰিয় অংশগ্ৰহণেই নিশ্চিত কৰে যে ৰাজনৈতিক সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া কেৱল বিশেষজ্ঞৰ হাতত নাথাকে, বৰঞ্চ ইয়াৰ লগত সাধাৰণ নাগৰিকৰ জ্ঞান আৰু অভিজ্ঞতাও জড়িত হৈ থাকে।

জনমত হৈছে ক্ষমতাৰ অপব্যৱহাৰক নিয়ন্ত্ৰণ কৰা আৰু শাসকৰ জবাবদিহিতাক নিশ্চিত কৰা এক অপ্ৰতিৰোধ্য শক্তি। মুক্ত আৰু সক্ৰিয় জনমত থকা এখন সমাজত, শাসকসকলে তেওঁলোকৰ প্ৰতিটো কাৰ্যকলাপৰ বাবে জনসাধাৰণৰ ওচৰত দায়বদ্ধতা অনুভৱ কৰিবলৈ বাধ্য হয়। সংবাদ মাধ্যম, সামাজিক মাধ্যম, আৰু বিভিন্ন ৰাজহুৱা মঞ্চৰ জৰিয়তে জনমতৰ প্ৰকাশে চৰকাৰৰ কাম-কাজক সৰ্বজনীন পৰীক্ষাৰ অধীনলৈ আনে। এই নিৰীক্ষণে চৰকাৰী কাৰ্যত স্বচ্ছতাৰ উচ্চ মানদণ্ড বজাই ৰাখে আৰু দুৰ্নীতি বা স্বজনপ্ৰীতিৰ দৰে অনৈতিক কাৰ্যকলাপ সংঘটিত হোৱাৰ সম্ভাৱনা যথেষ্ট হ্ৰাস কৰে। শাসকসকলে জানে যে জনসাধাৰণৰ আস্থা ভংগ হ'লে, সেই জনমতে তেওঁলোকক ক্ষমতাৰ পৰা অপসাৰণ কৰাৰ শক্তি ৰাখে। এই ভয় আৰু নৈতিক বাধ্যবাধকতাই গণতন্ত্ৰক স্বৈৰাচাৰীতাৰ ফালে গতি কৰাৰ পৰা ৰক্ষা কৰে। জনমতৰ মাধ্যমেৰে নাগৰিকসকলে কেৱল ভোটদাতা হিচাপেই নহয়, বৰঞ্চ নিজৰ শাসন ব্যৱস্থাৰ অংশীদাৰ আৰু নিৰীক্ষণকাৰী হিচাপেও নিজৰ ভূমিকা পালন কৰে। এই অবিৰত তৰ্ক-বিতৰ্ক আৰু প্ৰশ্ন উত্থাপনৰ প্ৰক্ৰিয়াত গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহে তেওঁলোকৰ দক্ষতা আৰু নৈতিকতাক অবিৰতভাৱে উন্নত কৰি তোলে। জনমতৰ শক্তিৰ দ্বাৰাহে ক্ষমতাৰ কেন্দ্ৰীভূতকৰণৰ প্ৰৱণতাক প্ৰতিহত কৰিব পাৰি।

সমাজত এক স্বাস্থ্যৱান আৰু মননশীল ৰাজনৈতিক সংস্কৃতি গঢ়ি তোলাত জনমতে এক মৌলিক ভূমিকা পালন কৰে। জনসাধাৰণে যেতিয়া নিজৰ মতামত মুকলিভাৱে প্ৰকাশ কৰাৰ সুযোগ পায়, তেতিয়া তেওঁলোক ৰাজনৈতিকভাৱে অধিক সজাগ আৰু সচেতন হৈ পৰে। ইয়াৰ ফলত তেওঁলোকে কেৱল নিজৰ ব্যক্তিগত স্বাৰ্থৰ বিষয়েই নহয়, বৰঞ্চ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ বিষয়সমূহৰ বিষয়েও গভীৰভাৱে চিন্তা কৰিবলৈ শিকে। জনমত গঠনৰ প্ৰক্ৰিয়াত হোৱা ভিন্ন মতাদৰ্শ আৰু দৃষ্টিভংগীৰ মাজৰ বিতৰ্ক আৰু আলোচনাই জনসাধাৰণৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰে। ই নাগৰিকসকলৰ মাজত পাৰস্পৰিক সহিষ্ণুতা, সন্মান আৰু বুজাবুজিৰ ভাৱ গঢ়ি তোলে। তেওঁলোকে বুজি পায় যে এখন বহুল সমাজত বিভিন্ন মতামতৰ সহাৱস্থান অপৰিহাৰ্য আৰু যুক্তিসংগত আলোচনাৰ জৰিয়তেহে সমাজ আগবাঢ়িব পাৰে। জনমতৰ সক্ৰিয় ভূমিকাই উগ্ৰতা, বিভাজন আৰু সংকীৰ্ণ মনোভাৱক প্ৰতিহত কৰি যুক্তি আৰু সহমতৰ ওপৰত ভিত্তি কৰি সামাজিক বান্ধোনক শক্তিশালী কৰে। এই উচ্চমানৰ ৰাজনৈতিক সংস্কৃতিয়ে সামাজিক ন্যায়, সমতা, আৰু মানৱ অধিকাৰৰ দৰে মৌলিক মূল্যবোধসমূহৰ প্ৰতি এক সামূহিক সমৰ্থন গঢ়ি তোলে, যি এক সবল আৰু নৈতিক গণতান্ত্ৰিক সমাজৰ আধাৰ।

জনমত হৈছে সমাজৰ ঐতিহাসিক সংস্কাৰ আৰু প্ৰগতিৰ বাবে এক শক্তিশালী প্ৰেৰণা আৰু নিৰ্ধাৰক। বহু সময়ত, প্ৰচলিত ৰীতি-নীতি, অন্ধবিশ্বাস বা শক্তিশালী গোষ্ঠীৰ প্ৰভাৱৰ বাবে চৰকাৰসমূহে কঠোৰ সংস্কাৰমূলক পদক্ষেপ ল'বলৈ দ্বিধা কৰিব পাৰে। কিন্তু যেতিয়া জনমতৰ এক বৃহৎ অংশই কোনো এক সংস্কাৰৰ প্ৰয়োজনীয়তা অনুভৱ কৰে আৰু ইয়াৰ সপক্ষে সৰৱ হয়, তেতিয়া ৰাজনৈতিক নেতৃত্বই সেই সংস্কাৰক কাৰ্যকৰী কৰিবলৈ সাহস আৰু জনসমৰ্থন লাভ কৰে। জনমতে সমাজৰ সামূহিক বিবেক আৰু নতুন চিন্তা-ধাৰাৰ প্ৰতি থকা আগ্ৰহক প্ৰতিফলিত কৰে, যিয়ে স্থবিৰতাক ভংগ কৰি প্ৰগতিৰ পথ সূচায়। উদাহৰণস্বৰূপে, সামাজিক বৈষম্য দূৰ কৰা, লিংগ সমতা প্ৰতিষ্ঠা কৰা বা পৰিৱেশ সংৰক্ষণৰ দৰে বিষয়সমূহত জনমতৰ সবল আৰু সচেতন স্থিতি অবিহনে আইন প্ৰণয়ন আৰু সমাজত গ্ৰহণযোগ্যতা লাভ কৰাটো সম্ভৱ নহয়। জনমতৰ শক্তিয়ে কেৱল ৰাজনৈতিক সিদ্ধান্তত প্ৰভাৱ নেপেলায়, বৰঞ্চ ই সমগ্ৰ সামাজিক মনস্তত্ত্ব, আচাৰ-ব্যৱহাৰ আৰু মূল্যবোধকো পৰিৱৰ্তন কৰে। জনমতৰ এই সক্ৰিয় আৰু সংস্কাৰমুখী ভূমিকাই এখন সমাজক আত্ম-সমালোচনা আৰু আত্ম-উন্নয়নৰ দিশত নিৰন্তৰ আগুৱাই নিয়ে, যাৰ ফলত গণতন্ত্ৰ এক স্থিতিশীল শক্তি হিচাপে পৰিগণিত হয়।

বৰ্তমানৰ অত্যাধুনিক ডিজিটেল যুগত জনমতৰ প্ৰকৃতি আৰু ইয়াৰ প্ৰকাশৰ ধৰণ নাটকীয়ভাৱে সলনি হৈছে। ইণ্টাৰনেট আৰু সামাজিক মাধ্যমৰ ব্যাপক প্ৰসাৰে জনসাধাৰণক নিজৰ মতামত অতি কম সময়ৰ ভিতৰতে ব্যাপক ৰূপত প্ৰকাশ কৰাৰ এক অভূতপূৰ্ব সুযোগ দিছে। ইয়ে সাধাৰণ নাগৰিকক চৰকাৰ আৰু ক্ষমতাৰ কেন্দ্ৰৰ সৈতে পোনপটীয়া যোগাযোগৰ এক নতুন মঞ্চ প্ৰদান কৰিছে, য'ত তেওঁলোকে নিজৰ চিন্তা প্ৰকাশ কৰাৰ লগতে আনৰ সৈতে মত বিনিময় কৰিব পাৰে। এই নতুন মাধ্যমসমূহে জনমতক অধিক গতিশীল, ক্ষিপ্ৰ আৰু সৰ্বব্যাপী কৰি তুলিছে। কিন্তু, ইয়াৰ লগে লগে, জনমতক বিকৃত কৰা, ভুৱা তথ্যৰ প্ৰচাৰ কৰা আৰু ইয়াৰ জৰিয়তে জনসাধাৰণক আৱেগিকভাৱে প্ৰভাৱিত কৰাৰ সম্ভাৱনাও বহু পৰিমাণে বৃদ্ধি পাইছে। সেয়েহে, গণতন্ত্ৰৰ এই পৰ্যায়ত, জনমতৰ সঠিক, যুক্তিনিষ্ঠ আৰু তথ্যভিত্তিক গঠনৰ প্ৰতি বিশেষ গুৰুত্ব দিয়া উচিত। জনমতক কেৱল তাৎক্ষণিক আৱেগিক প্ৰতিক্ৰিয়া হিচাপে গণ্য নকৰি ইয়াৰ গভীৰতা আৰু যুক্তিনিষ্ঠতাক বিশ্লেষণ কৰাটো অত্যাৱশ্যকীয়। এখন সুস্থ গণতন্ত্ৰৰ বাবে, শাসক আৰু শাসিত উভয়ৰে দায়িত্ব যে তেওঁলোকে জনমতৰ প্ৰতি সংবেদনশীল হোৱাৰ লগতে ইয়াৰ তথ্যগত শুদ্ধতাক নিশ্চিত কৰিবলৈ সক্ৰিয় প্ৰয়াস কৰে।


গণতন্ত্ৰত জনমতৰ গুৰুত্ব বুজিবলৈ ইয়াৰ বহুমাত্ৰিক আৰু বিচিত্ৰ চৰিত্ৰটোক গভীৰভাৱে অনুধাৱন কৰাটো প্ৰয়োজনীয়। জনমত কেৱল এক ঐক্যবদ্ধ আৰু একক ধাৰণা নহয়; ই সমাজৰ বিভিন্ন গোষ্ঠী, জাতি, ধৰ্ম, শ্ৰেণী আৰু অৰ্থনৈতিক পটভূমিৰ মাজত বিদ্যমান ভিন্ন আৰু কেতিয়াবা পৰস্পৰ বিৰোধী মতামতসমূহৰ এক জটিল সমন্বয়। এখন সফল গণতান্ত্ৰিক চৰকাৰে এই বিভিন্ন অংশসমূহৰ মাজত সূক্ষ্ম সন্তুলন ৰক্ষা কৰিবলৈ সক্ষম হ'ব লাগে। ই কেৱল সংখ্যাগৰিষ্ঠৰ মতামতকে গুৰুত্ব নিদি সংখ্যালঘুৰ কণ্ঠস্বৰ, চিন্তা আৰু প্ৰতিবাদকো সন্মান আৰু মনোযোগ দিব লাগিব। জনমতৰ প্ৰকৃত শক্তি নিহিত হৈ আছে এই ভিন্নতাৰ মাজত থকা সহনশীলতা, পাৰস্পৰিক আলোচনা আৰু সহমত সৃষ্টিৰ প্ৰয়াসত। যদি চৰকাৰে কেৱল বৃহৎ আৰু শক্তিশালী গোষ্ঠীৰ স্বাৰ্থ পূৰণ কৰিবলৈ চেষ্টা কৰে, তেন্তে ই গণতন্ত্ৰৰ মূল আদৰ্শ, অৰ্থাৎ সৰ্বসাধাৰণৰ কল্যাণ আৰু সমতাৰ পৰা বিচ্যুত হয়। জনমতৰ সঠিক বিশ্লেষণৰ অৰ্থ হৈছে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ সমস্যা আৰু প্ৰত্যাশাৰ প্ৰতি মনোযোগ দিয়া আৰু এনে নীতি গ্ৰহণ কৰা যি সামগ্ৰিকভাৱে সমাজৰ সকলো স্তৰকে উপকৃত কৰে। জনমতৰ এই সামূহিক আৰু সমন্বিত ৰূপটোৱেই গণতন্ত্ৰক এক সঁচা অৰ্থত জনমুখী ব্যৱস্থা কৰি তোলে।

জনমতৰ অবিহনে গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহৰ বিকাশ আৰু পৰিপক্কতা লাভ কৰাটো অসম্ভৱ। ৰাজনৈতিক দল, সংবাদ মাধ্যম, অসামৰিক সমাজৰ সংগঠনসমূহ, ন্যায়িক ব্যৱস্থা আৰু আইন প্ৰণয়ন কৰা সংস্থাসমূহ-এই সকলোবোৰৰ কাৰ্যকৰীতা আৰু সফলতা জনমতৰ সক্ৰিয় সমৰ্থনৰ ওপৰত নিৰ্ভৰ কৰে। জনমতে এই প্ৰতিষ্ঠানসমূহক প্ৰয়োজনীয় শক্তি আৰু জনসমৰ্থন যোগান ধৰে, যিয়ে তেওঁলোকক ক্ষমতাশালী আৰু প্ৰভাৱশালী কৰি তোলে। যেতিয়া জনমত দুৰ্বল হয় বা ইয়াক দমন কৰা হয়, তেতিয়া এই প্ৰতিষ্ঠানসমূহো ক্ৰমান্বয়ে দুৰ্বল আৰু কাৰ্যক্ষমতাহীন হৈ পৰে। উদাহৰণস্বৰূপে, এখন শক্তিশালী সংবাদ মাধ্যম কেৱল তেতিয়াহে শাসকৰ ভুল দেখুৱাবলৈ সক্ষম হয়, যেতিয়া ই জনসাধাৰণৰ আস্থা আৰু সমৰ্থন লাভ কৰে। ঠিক সেইদৰে, অসামৰিক সমাজৰ সংগঠনসমূহেও জনমতৰ শক্তিৰ ওপৰত ভিত্তি কৰিয়েই সামাজিক সংস্কাৰৰ বাবে চাপ দিব পাৰে। গতিকে, জনমতৰ সক্ৰিয়তা আৰু সুস্থতাই গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহক জীৱন্ত আৰু কাৰ্যক্ষম কৰি ৰাখে, যাৰ ফলত প্ৰকৃত গণতন্ত্ৰৰ ভেটি মজবুত হয়। জনমত হৈছে এক প্ৰতিৰক্ষামূলক ব্যৱস্থা, যি এই প্ৰতিষ্ঠানসমূহক ক্ষমতাৰ প্ৰভাৱৰ পৰা মুক্ত হৈ কাম কৰিবলৈ সক্ষম কৰি তোলে।

শেষত, গণতন্ত্ৰৰ চূড়ান্ত সফলতা বা বিফলতা জনমতৰ মান আৰু ইয়াৰ প্ৰতি ৰাজনৈতিক ব্যৱস্থাৰ সঁহাৰিৰ ওপৰত নিৰ্ভৰ কৰে। জনমতক উপেক্ষা কৰা বা ইয়াক কেৱল ক্ষমতা দখলৰ আহিলা হিচাপে ব্যৱহাৰ কৰা ব্যৱস্থাই নিজৰ গণতান্ত্ৰিক আত্মা হেৰুৱায়। জনমতৰ প্ৰতি গভীৰ সন্মান আৰু ইয়াৰ মুক্ত প্ৰকাশৰ প্ৰতি সংবেদনশীলতাইহে গণতন্ত্ৰক কেৱল এক যান্ত্ৰিক প্ৰণালীৰ পৰিৱৰ্তে এক নৈতিক আৰু মানৱীয় শাসন ব্যৱস্থাত পৰিণত কৰে। জনমতৰ অবিৰত প্ৰৱাহ হৈছে গণতন্ত্ৰৰ জীৱনৰেখা, যি চৰকাৰক সততা, স্বচ্ছতা আৰু জনকল্যাণৰ পথত নিৰন্তৰভাৱে চালিত কৰে। এখন সফল গণতন্ত্ৰত, জনসাধাৰণ হৈছে কেৱল ভোটদাতা নহয়, তেওঁলোক হৈছে শাসন ব্যৱস্থাৰ সহ-নিৰ্মাতা, চূড়ান্ত নিৰীক্ষণকাৰী আৰু সৰ্বোচ্চ নিয়ন্ত্ৰক। জনমতৰ সুস্থ আৰু সচেতন প্ৰকাশ, ইয়াৰ প্ৰতি শাসকৰ সংবেদনশীলতা আৰু ইয়াৰ নিৰন্তৰ আলোচনাৰ মাধ্যমত গণতন্ত্ৰই নিজৰ প্ৰকৃত লক্ষ্যত উপনীত হ'ব পাৰে। জনমতৰ এই অপৰিসীম শক্তিৰ অবিহনে প্ৰকৃত জনতাৰ শাসনৰ ধাৰণাটো কেৱল এক অসাৰ স্বপ্ন হৈ ৰ'ব আৰু গণতন্ত্ৰৰ আত্মা চিৰকালৰ বাবে ম্লান পৰি যাব।

(তথ্যসূত্ৰ ঃ কেবাখনো গ্ৰন্থ, একাধিক প্ৰবন্ধ আৰু ইণ্টাৰনেটত উপলব্ধ বিভিন্ন লেখাৰ সহায় লোৱা হৈছে।)

ম'বাইল ঃ ৯৮৬৪০-০০২৬০



# কালৰ অমিয়া সোঁত আৰু নতুনৰ আবাহন

■ **এ.আৰ ৰহমান**

সময়ৰ অবিৰত সোঁতত এটা বছৰৰ সমাপ্তি আৰু আন এটা বছৰৰ আগমণ কেৱল পঞ্জিকাৰ পাত লুটিয়াই দিয়া এক যান্ত্ৰিক প্ৰক্ৰিয়া নহয়, ই হ'ল মানৱাত্মাৰ এক গভীৰ নৱীকৰণৰ উৎসৱ। মহাকালৰ বিশাল বুকুত আমি প্ৰতিটো বছৰ একো একোটা সৰু টোপালৰ দৰে মিলি যাওঁ, য'ত আমাৰ স্মৃতিবোৰ সাগৰৰ নিমখ হৈ ৰৈ যায় আৰু অনাগত সপোনবোৰ শুভ্ৰ ফেনৰ দৰে ওপঙি থাকে। নতুন বছৰটো আমাৰ বাবে এক আধ্যাত্মিক আৰু মানসিক যাত্ৰাৰ আৰম্ভণি, য'ত আমি আমাৰ পুৰণি, জৰাজীৰ্ণ চিন্তাধাৰাক ত্যাগ কৰি এক নব্য মানসিক সাজ পিন্ধিবলৈ প্ৰস্তুত হওঁ। সংবাদ পত্ৰৰ পাতত যেতিয়া নতুন বছৰৰ প্ৰথমটো দিনৰ বাতৰি প্ৰকাশ পায়, তেতিয়া আমি অনুভৱ কৰোঁ যে ইতিহাসৰ এটা অধ্যায়ৰ সমাপ্তি ঘটিছে আৰু এটি কুমাৰী পৃষ্ঠা আমাৰ বাবে মুকলি হৈ পৰিছে। এইটোৱেই সেই ক্ষণ, য'ত মানুহে নিজক পুনৰ আৱিষ্কাৰ কৰাৰ সুযোগ লাভ কৰে।

প্ৰকৃতিৰ বুকুত আমি যি পৰিবৰ্তন দেখিবলৈ পাওঁ, সেয়াই আমাক নতুনত্বৰ মহত্ব বুজাই দিয়ে। শীতৰ সেই ধূসৰ পৰিৱেশত যেতিয়া গছৰ পৰা শুকান পাতবোৰ সৰি পৰে, সেই পাতখিলাৰ বুকুত কোনো আক্ষেপ নাথাকে। বৰঞ্চ, সেই সৰি পৰা মৃত পাতবোৰেই মাটিত মিলি গৈ নতুন গজালিৰ বাবে সাৰ যোগায়। আমাৰ জীৱনৰ যোৱা বছৰটোৰ বিফলতাবোৰো ঠিক সেই সৰি পৰা পাতবোৰৰ দৰে হোৱা উচিত। যোৱা সময়ছোৱাৰ প্ৰতি কোনো তিক্ততা বা ক্ষোভ নৰাখি, সেই বিফলতাবোৰক অভিজ্ঞতাৰ সাৰ কৰি লৈ আমি নতুন জীৱনৰ কঠীয়া সিঁচিব লাগে। প্ৰকৃতিৰ এই নীৰৱ শিক্ষাই আমাক সোঁৱৰাই যে বিদায়ৰ মাজতেই নতুনৰ বীজ লুকাই থাকে।

অসমীয়া সমাজ জীৱনত নতুনক আদৰাৰ এক অনন্য আৰু স্বকীয় মাদকতা আছে। আমাৰ গ্ৰাম্য জীৱনৰ সৈতে ঋতুৰ পৰিবৰ্তনৰ এক আত্মিক সম্পৰ্ক থাকে। শীতৰ কুঁৱলীৰ ওৰণি ফালি যেতিয়া পথাৰৰ লখিমী ধান ঘৰৰ ভঁৰাল পায়হি, তেতিয়াই কৃষকৰ মনত নতুন দিনৰ প্ৰতি এক অদম্য বিশ্বাসৰ জন্ম হয়। চহা কৃষকজনৰ বাবে নতুন মানেই হ'ল মাটিৰ সেই পৰিচিত গোন্ধ আৰু আগন্তুক খেতিৰ বাবে কঠিয়া পৰাৰ প্ৰস্তুতি। কেৱল কৃষক বুলিয়েই নহয়, প্ৰতিজন সাধাৰণ মানুহৰ বাবে নতুন বছৰটো হ'ল জীৱনৰ ভাঙি পৰা ঘৰখন আকৌ এবাৰ মেৰামতি কৰাৰ প্ৰতিশ্ৰুতি। ই আমাক শিকায় যে যি ভাঙিছে তাক গঢ়িব পাৰি আৰু যি হেৰাইছে তাৰ ঠাইত নতুনকৈ সজাব পাৰি। মানুহৰ জীৱনটো এটা চিৰপ্ৰবাহী নদীৰ দৰে। লুইতৰ বুকুত যিদৰে প্ৰতি বছৰে পলস পৰে আৰু সেই পলসৰ উৰ্বৰতাতেই শস্যৰ পথাৰ লহপহকৈ বাঢ়ে, আমাৰ জীৱনৰ অতীতৰ দুখ-যন্ত্ৰণাবোৰো তেনেদৰেই অভিজ্ঞতাৰ পলস হৈ ৰৈ যায়। মানুহে কেতিয়াও অতীতক পাহৰিব নোৱাৰে, কিন্তু সেই অতীতক ভৱিষ্যত গঢ়াৰ ভেটি হিচাপে ব্যৱহাৰ কৰিব পাৰে। যোৱা বছৰৰ সেই নিদাৰুণ অভিজ্ঞতাৰ পলসতে আমি আমাৰ ভৱিষ্যতৰ অট্টালিকা গঢ়ে। নদীৰ দৰেই আমাৰ জীৱনত কেতিয়াবা বানপানীৰ দৰে সংকট আহে, কেতিয়াবা খৰাঙৰ দৰে নিস্তব্ধতা আহে, কিন্তু গতিক ৰুদ্ধ নকৰাটোৱেই জীৱনৰ আচল ধৰ্ম।

সামাজিক প্ৰেক্ষাপটত নতুন বছৰৰ প্ৰাসংগিকতা আজিৰ সময়ত আৰু অধিক গভীৰ হৈ পৰিছে। বৰ্তমানৰ ঘৃণা, বিদ্বেষ আৰু বিভাজনৰ পৃথিৱীখনত নতুন বছৰটোৱে এক শান্তিময় এনাজৰী হৈ অহাৰ অত্যন্ত প্ৰয়োজন। আমি প্ৰায়ে অভিযোগ কৰোঁ যে পৃথিৱীখন বৰ জটিল হৈ পৰিছে, মানুহবোৰ সলনি হ'ব লাগে। কিন্তু আমি এইটো সহজ সত্য পাহৰি যাওঁ যে পৃথিৱীখন সলনি কৰিবলৈ হ'লে প্ৰথমে নিজৰ দৃষ্টিভংগী সলনি কৰিব লাগিব। নতুন বছৰৰ প্ৰথমটো কিৰণে আমাক সোঁৱৰাই দিয়ে যে আন্ধাৰ যিমানেই ঘন নহওক কিয়, পোহৰৰ এটা সৰু কণিকাই তাক নাশ কৰিবলৈ যথেষ্ট। গতিকে আমি সমাজৰ বাবে একো একোটা পোহৰৰ উৎস হোৱাৰ সংকল্প ল'ব লাগে।

মনোবিজ্ঞানৰ দৃষ্টিৰে চালে দেখা যায় যে মানুহৰ মনস্তত্ত্বই সদায় নতুনত্বৰ মাজত শান্তি বিচাৰে। মনোবিজ্ঞানত ইয়াক 'Fresh Start Effect' বুলি কোৱা হয়। নতুন বছৰৰ আৰম্ভণিয়ে আমাক এক মানসিক সকাহ দিয়ে যে যিবোৰ বিফলতা বা দুখ যোৱা বছৰত আমাৰ লগৰী আছিল, সেইবোৰ এতিয়া অতীতৰ গৰ্ভত। কিন্তু এই 'নতুনত্ব' যেন কেৱল পহিলা জানুৱাৰীতেই আৱদ্ধ হৈ নাথাকে। প্ৰতিটো সূৰ্যোদয়ৰ লগে লগে আমি নতুন হ'ব পাৰিব লাগে। আমাৰ সমাজত এতিয়া দৰকাৰ হৈছে নতুন আৰু গঠনমূলক চিন্তাৰ উন্মেষ। যি চিন্তাৰ জৰিয়তে আমি প্ৰকৃতিৰ সংৰক্ষণ কৰিব পাৰো, মানুহৰ মাজত ভাতৃত্ববোধ গঢ়িব পাৰো। মহান কবি টি.এছ. এলিয়টৰ সেই কালজয়ী উক্তিটো ইয়াত বৰ প্ৰাসংগিক- "For last year's words belong to last year's language and next year's words await another voice."

নতুন বছৰটোৱে আমাক আত্ম-সমালোচনাৰ এক সুযোগ প্ৰদান কৰে। গোটেই বছৰটোত আমি কিমান দূৰ আগুৱাই গ'লো, কিমানজনক হুঁৰালো আৰু কাৰোবাৰ চকুপানীৰ কাৰণ হ'লো নেকি, এইবোৰৰ হিচাপ মিলালেহে নতুনত্বৰ প্ৰকৃত অৰ্থ বিচাৰি পোৱা যায়। মানুহৰ জীৱনত সময়তকৈ মূল্যৱান একো নাই। সেই মূল্যৱান সময়ৰ সোঁতত আমি যাতে কেৱল কাঠৰ টুকুৰাৰ দৰে উটি নাযাওঁ, তাৰ বাবে আমাক লাগিব এক দৃঢ় লক্ষ্য। বৰ্তমানৰ এই যান্ত্ৰিক যুগত আমি যন্ত্ৰৰ দৰে কাম কৰি আছোঁ যদিও আমাৰ হৃদয়ৰ মানৱীয় অনুভূতিবোৰ যাতে ম্লান হৈ নাযায়, তাৰ প্ৰতি সচেতন হোৱাৰ বাবে নতুন বছৰে আমাক সোঁৱৰাই দিয়ে।

শেষত, নতুন বছৰৰ এই প্ৰাকক্ষণত আমাৰ এটাই প্ৰাৰ্থনা হোৱা উচিত, আমাৰ হৃদয়ৰ পৰা যাতে সংকীৰ্ণতাৰ আন্ধাৰ আঁতৰে আৰু জ্ঞানৰ পোহৰ বিয়পি পৰে। পৃথিৱীৰ প্ৰতিটো কোণত থকা মানুহে যাতে ভোক, যুদ্ধ আৰু হিংসাৰ পৰা মুক্তি পায়, তাৰ বাবে আমি এক সামূহিক চেতনা গঢ়িব লাগিব। এটা বছৰ শেষ হোৱা মানে এটা মৃত্যু নহয়, বৰঞ্চ নতুন এটা জীৱনৰ মহিমামণ্ডিত আৰম্ভণিহে। আমি যেন যোৱা বছৰৰ আঘাতবোৰক আঘাত হিচাপে নলৈ অভিজ্ঞতাই পকাই তোলা একো একোটা অলংকাৰ হিচাপে গ্ৰহণ কৰিব পাৰোঁ। সকলোৰে মনত একেই প্ৰতিধ্বনি হওক- 'নতুন বছৰটোৱে মোক সলনি নকৰক, মইহে নতুন বছৰটোক মোৰ কৰ্মৰে নতুন ৰূপ দিওঁ।' এই শুভচিন্তাৰে আমি নতুনক আদৰিব লাগিব, য'ত থাকিব কেৱল প্ৰেম, কৰুণা আৰু এক অনন্ত আশাৰ পৃথিৱী। নতুন বছৰৰ পোহৰে আমাৰ মাজৰ পৰা বিষাদৰ চেঁকুৰাবোৰ ধুই মচি এক নিৰ্মল ভৱিষ্যতৰ ফালে আগুৱাই লৈ যাওক। এই যাত্ৰা হওক শান্তিৰ, এই যাত্ৰা হওক মানৱতাৰ।

**ম'বাইল ঃ ৯৭০৭১-৫৯৩৬৬**

# বিলাসিতাৰ দহনত বিয়া

■ **কুণ্ডিল হাজৰিকা**
যোৰহাট, টীয়ক

বিয়াৰ বতৰ আহিলেই আমাৰ সমাজত এক নব্য ধৰণৰ উল্লাস আৰু আড়ম্বৰে দেখা দিয়ে, যিটোৱে আজিকালি এক সামাজিক প্ৰতিযোগিতাৰ ৰূপ লৈছে। চিৰাচৰিত পৰম্পৰা আৰু মূল্যবোধক পিচলৈ ঠেলি দি, অসমীয়া বিয়াই এতিয়া এক মিশ্ৰ সংস্কৃতি আৰু বিলাসী প্ৰদৰ্শনৰ বিশাল মঞ্চত পৰিণত হৈছে। এই পৰিৱৰ্তন কেৱল এজন ব্যক্তিৰ অনুভৱ নহয়, বৰং ই সমগ্ৰ মধ্যবিত্ত সমাজৰ এক গভীৰ প্ৰতিফলন।

শেহতীয়া সময়ত বিয়াৰ আয়োজন কেৱল এটি দিনৰ মাঙ্গলিক অনুষ্ঠান হৈ থকা নাই। ই আজিকালি কেইবাদিনীয়াকৈ চলি থকা এক বিস্তৃত কাৰ্যসূচীলৈ পৰিণত হৈছে। নিমন্ত্ৰণী পত্ৰত বিয়াৰ দিনৰ সলনি তিনি-চাৰিদিনীয়া কৰ্মসূচী ছপোৱাটো যেন এক নতুন 'ট্ৰেণ্ড'। এই সমাৰোহবোৰত প্ৰদৰ্শিত হোৱা আড়ম্বৰ সাঁচাকৈয়ে মন কৰিবলগীয়া-

**বিলাসিতাৰ পেণ্ডেল ঃ** সাধাৰণ ভাৱৰ সলনি আজি হাজাৰ হাজাৰ টকা ব্যয় কৰি সজোৱা হয় ৰাজকীয় পেণ্ডেল, য'ত সাধাৰণ অতিথিয়ে বহিবলৈও সংকোচবোধ কৰে।

**খাদ্য সম্ভাৰৰ প্ৰাচুৰ্য ঃ** একোখন বিয়াত ভিন্ন ৰাজ্য আৰু ভিন্ন দেশৰ খাদ্যৰ তালিকা সন্নিৱিষ্ট কৰা হয়, যিটোৱে বিয়াৰ মূল উদ্দেশ্যতকৈ খাদ্যৰ প্ৰদৰ্শনকে অধিক গুৰুত্ব দিয়ে।

**পেছাদাৰী সেৱাৰ জয়জয়কাৰ ঃ** উচচ হাৰৰ পাৰিশ্ৰমিকেৰে নিযুক্ত পেছাদাৰী ফটোগ্ৰাফাৰৰ বিশাল বাহিনী, নামী-দামী মেক-আপ আৰু মেহেন্দী আৰ্টিষ্টৰ ভিৰ — এইবোৰ হৈ পৰিছে বৰ্তমানৰ বিয়াৰ অপৰিহাৰ্য অংশ।

**সাংস্কৃতিক সংমিশ্ৰণ ঃ** মূল অসমীয়া পৰম্পৰাৰ বাহিৰেও, বৰবিহ সদৃশ কিছুমান অনা-অসমীয়া সংস্কৃতিৰ পৰা ধাৰে লোৱা নতুন ৰীতি-নীতিও এই তালিকাত যোগ হৈছে, যিবোৰৰ সৈতে আমাৰ মূল সংস্কৃতিত কোনো সম্পৰ্কই নাই।

এইবোৰৰ চূড়ান্ত ফলস্বৰূপে, সাধাৰণ বা নিম্ন-মধ্যবিত্ত পৰিয়ালৰ লোকসকল এই অনুষ্ঠানবোৰলৈ গ'লে এক গভীৰ হীনমন্যতাত ভোগে। ৰাজকীয় আদৰ-কায়দা আৰু অপৰিসীম খৰচৰ এই দৃশ্যবোৰৰ সন্মুখত, বহুতো মধ্যবিত্ত পৰিয়ালৰ মনত এই প্ৰশ্নই দোলা দি যায় - 'আমাৰ সাধ্য কিমান? আমি কি সঁচাকৈয়ে এই বিলাসী প্ৰবাহৰ সৈতে মিলি যাব পাৰিমনে?' ৰভাৰ তলত বহিবলৈ, বা বিলাসী খাদ্য সম্ভাৰ গ্ৰহণ কৰিবলৈকো নিজৰেই সংকোচবোধ হয়, কাৰণ এই আড়ম্বৰৰ সৈতে নিজৰ আৰ্থিক স্থিতিৰ কোনো মিল বিচাৰি পোৱা নাযায়।

দুখৰ বিষয় যে, এই আড়ম্বৰৰ আঁৰত বহুতো পৰিয়ালে কেৱল সামাজিক হেঁচা আৰু ট্ৰেণ্ডৰ সৈতে মিলি যোৱাৰ স্বাৰ্থত নিজৰ সাধ্যৰ সীমা অতিক্ৰম কৰি বিৰাট বিত্তীয় বোজা ল'বলগীয়া হয়। যিসকল ব্যক্তিয়ে জীৱনৰ আৰম্ভণিতে দাৰিদ্ৰ আৰু অভাৱৰ জুঁই সহি আহিছে, তেওঁলোকে জানে যে সাধাৰণ জীৱন যাপন কৰোঁতেই প্ৰতিমাহে EMI, বিভিন্ন দান-বৰঙণি, আৰু ঘৰুৱা খৰচবোৰে কেনেকৈ শেষফালে ধাৰ কৰিবলগীয়া অৱস্থা এতিয়াও সৃষ্টি কৰে। খেৰৰ জুপুৰিৰ পৰা লোন লৈ কোনোমতে পকী ঘৰলৈ অহা এজন ব্যক্তিৰ পক্ষে, বিয়াৰ নামত ইমান হাত উজান দি খৰচ কৰাৰ বাবে সাহস বা কলিজা দুয়োটাই নাথাকে।

আমি পাহৰিব নালাগিব যে আমাৰ মা-দেউতাহঁতৰ দিনৰ অনাড়ম্বৰ বিয়াবোৰো সুন্দৰভাৱে চলিছিল। সেইবোৰ আছিল প্ৰকৃত মিলন আৰু আত্মীয়তাৰ উৎসৱ, য'ত হৃদয়ৰ উষ্ণতা আছিল, টকাৰ পয়োভৰ নহয়। সাধ্যৰ বাহিৰত গৈ বিৰাট কিবাকিবি কৰি জীৱনটোৰ কাৰণে নতুনকৈ ধাৰ এসোপাত পোঁত যোৱাটো কোনোমতেই বিচক্ষণতাৰ পৰিচায়ক নহয়। বিয়াৰ সাধাৰণ পৰম্পৰাখিনি পালন কৰি, সাধ্য অনুসৰি সৰলতাৰে আৰু সাংস্কৃতিক সন্ধিয়াৰ আয়োজন নকৰাকৈও এখন বিয়া সফলতাৰে অনুষ্ঠিত কৰিব পাৰি।

এইটো উপলব্ধি কৰাৰ সময় আহিছে যে ব্যক্তিগত স্বাচ্ছন্দ্য, আৰ্থিক নিৰাপত্তা, আৰু ভৱিষ্যতৰ সুৰক্ষা-সাময়িক সামাজিক প্ৰদৰ্শন বা তথাকথিত ট্ৰেণ্ডতকৈ বহু বেছি মূল্যৱান। অভাৱৰ জুয়ে শেশৰ দহা প্ৰতিগৰাকী ব্যক্তিৰেই এয়া এক আন্তৰিক অনুভৱ। আমাৰ সমাজত বিয়াৰ নামত অপব্যয় কৰাৰ এই তথাকথিত ট্ৰেণ্ডটোৰ পৰা আঁতৰি আহি, আমি এক সুস্থিৰ আৰু দায়িত্বশীল উদাহৰণ দাঙি ধৰিব লাগিব, য'ত সুখ আৰু মিলনক, বিলাসিতাই গ্ৰাস কৰিব নোৱাৰে।

**ম'বাইল ঃ ৭০৯৯৩-৫৪৪৭৪**

# বৰ্তমান সমাজত শাৰীৰিক শিক্ষাৰ প্ৰয়োজনীয়তা

■ **মনোৰঞ্জন বৰা**, গোলাঘাট, দেৰগাঁও

সুস্বাস্থ্যৰ মূল মন্ত্ৰ হৈছে শাৰিৰীক শিক্ষা। স্বাস্থ্য ভালে থাকিলে সুখ শান্তি বহু পৰিমাণে বৃদ্ধি পায়। শৰীৰক নিৰোগী কৰি ৰাখিবলৈ আৰু শক্তিশালী কৰি তুলিবলৈ উপযুক্ত শাৰীৰিক শিক্ষাৰ প্ৰয়োজন হয়, যাৰ দ্বাৰা মানুহে সাফল্য অৰ্জন কৰিব পাৰে।

সুস্থ-সবল শৰীৰ মানুহৰ বাবে মূল্যবান সম্পদ স্বৰূপ। যুৱক-যুৱতী লগতে আদহীয়া লোকেও এই শিক্ষা গ্ৰহণ কৰিব পাৰে। শাৰীৰিক শিক্ষাৰ উদাহৰণ স্বৰূপে আমি খেলা-ধূলা, খোজকাঢ়া, যোগ - প্ৰাণায়াম ইত্যাদি সমূহ ধৰিব পাৰোঁ। শাৰীৰিক শিক্ষাৰ লগত জড়িত ব্যক্তিয়ে সদায়ে শৰীৰক অনিষ্ট কৰিব পৰা দ্ৰব্যৰ পৰা নিজকে আঁতৰাই ৰাখে। সেই বাবেই সুস্থ-সবল লোকৰ মাজত স্বাভাৱিকতে নিচাযুক্ত দ্ৰব্যৰ ব্যৱহাৰ কম হোৱা দেখা যায়। উপযুক্ত শিক্ষাৰ দ্বাৰা মানুহৰ সৌন্দৰ্য আৰু কম পৰিমাণে আয়ুস বৃদ্ধি পায় লগতে মনতো আনন্দৰ সঞ্চাৰ হয়। মানুহক জীৱনৰ কঠোৰ সময়তো যুঁজিবলৈ শিকায়। দুখ-ভাগৰ, এলাহ দূৰ কৰিব পৰা শক্তি প্ৰদান কৰে। নিয়মিত ব্যায়ামৰ জৰিয়তে স্বাস্থ্যৰ উন্নতি হয় আৰু ৰোগৰ সম্ভাৱনা কমে।

আজিৰ সময়ত এই শিক্ষাৰ গুৰুত্ব বাঢ়িব ধৰিছে। ৰাসায়নিক সাৰযুক্ত খাদ্যই মানৰ শৰীৰত ভাবুকিৰ সৃষ্টি কৰিছে লগতে আমি এতিয়া আগৰ দৰে পৰিশ্ৰম নকৰি যন্ত্ৰপাতিৰ ওপৰত বেছি গুৰুত্ব দিব ধৰিছোঁ যাৰ ফলস্বৰূপে আমাৰ হাত-ভৰি দুৰ্বল যেন অনুভৱ কৰিব ধৰোঁ আৰু মনৰ বিৰক্তি বৃদ্ধি পায়। আগতে মানুহে দূৰ-দূৰণিলৈ খোজ কাঢ়ি যাত্ৰা কৰিছিল, শাৰীৰিক পৰিশ্ৰম কৰিছিল বাবে মানুহৰ মাজত বেমাৰ কম হৈছিল।

বৰ্তমান নিজৰ স্বাস্থ্যৰ যত্ন ল'বৰ বাবে এই শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰাটো প্ৰয়োজনীয়। সাম্প্ৰতিক কালত আত্মবিশ্বাস বৃদ্ধি কৰিবলৈ আৰু দুৰ্বৃত্তৰ পৰা আত্মৰক্ষা কৰিবলৈ সমৰ কলা আয়ত্ত কৰাটো আৱশ্যকীয় হৈ পৰিছে। শাৰীৰিক শিক্ষাৰ দ্বাৰা আমাৰ দেহৰ মাংসপেশীৰ বিকাশ ঘটে। এই শিক্ষাৰ দ্বাৰা মানুহৰ আত্মবিশ্বাস বৃদ্ধি হ'ব ধৰে। কিন্তু পৰিস্কাৰ-পৰিচ্ছন্নতাৰ অবিহনে এই শিক্ষা সম্পূৰ্ণ নহয়। লেতেৰা পৰিৱেশ, অপৰিষ্কাৰ খাদ্য, লেতেৰা নখ, লেতেৰা পানী আদি বহুতো ৰোগৰ মূল কাৰণ।

সকলো মানুহ যদি শাৰীৰিক শিক্ষাৰ দ্বাৰা শিক্ষিত হয় তেন্তে নিশ্চয় সমাজত শান্তি বিৰাজ কৰিব লগতে বিভিন্ন ৰোগ, প্ৰতিৰোধ কৰিব পৰা ক্ষমতা অলপ পৰিমাণে হ'লেও বৃদ্ধি পাব।

**ম'বাইল ঃ ৮০৯৯৬-১৭৬২৯**

# ডিব্ৰুগড় বিশ্বিদ্যালয়ত 'গিফ্‌ট এ চাইল্ডহুড'ৰ শুভাৰম্ভ



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাজ কৰ্ম অধ্যয়ন কেন্দ্ৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অতিথিশালাৰ সন্মিলন কক্ষত 'গিফট এ চাইল্ডহুড'-শীৰ্ষক এক সমাজমুখী উদ্যোগ আনুষ্ঠানিকভাৱে মুকলি কৰে। এই উদ্যোগৰ লক্ষ্য হৈছে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ দুৰ্বল আৰু অৱহেলিত সমাজৰ শিশুসকলক হাঁহিৰ খোৰাক, সৃষ্টিশীলতা আৰু শিকাৰ সুযোগ বৃদ্ধি কৰা। ইয়াৰ জৰিয়তে নতুন অথবা পূৰ্বে ব্যৱহৃত খেলনা, শিশুগ্ৰন্থ, শিল্প সামগ্ৰী, খেলা-ধূলাৰ সামগ্ৰী আৰু বাদ্যযন্ত্ৰ আদিবোৰ সংগ্ৰহ কৰি সুন্দৰকৈ বিতৰণ কৰা হ'ব। কাৰ্যসূচীৰ আৰম্ভণিতে ড° অনচাই বাথৌ বসুমতাৰীয়ে আদৰণী ভাষণ প্ৰদান কৰে আৰু ড° মনোজ দত্তই এই পদক্ষেপৰ গুৰুত্ব সম্পৰ্কে বক্তব্য আগবঢ়ায়। অৱহেলিত শিশুসকলক অৰ্থপূৰ্ণ শৈশৱ এটা জীৱন যাপন কৰাৰ সুযোগ বৃদ্ধি কৰিব পাৰে সেই বিষয়ে আলোকপাত কৰাৰ লগতে উদ্যোগটোৰ মূল আধাৰ হিচাপে পুনঃব্যৱহাৰ আৰু পুনঃচক্ৰায়নৰ গুৰুত্বৰ ওপৰত বক্তব্য ৰাখে। অনুষ্ঠানত উদ্বোধনী ভাষণ প্ৰদান কৰি বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই সমাজ কৰ্ম অধ্যয়ন কেন্দ্ৰক শিশুৰ বিকাশ আৰু সামাজিক দায়বদ্ধতাৰ প্ৰতি বিশ্ববিদ্যালয়ৰ উদ্দেশ্যৰ সৈতে সংগতি ৰাখি এনে এক সমাজমুখী উদ্যোগ গ্ৰহণ কৰাৰ বাবে অভিনন্দন জনোৱাৰ লগতে বিশ্ববিদ্যালয়ৰ প্ৰশাসনৰ তৰফৰ পৰা প্ৰয়োজন সাপেক্ষে সকলোধৰণৰ সুবিধা তথা সহযোগিতা প্ৰদানৰ আশ্বাস প্ৰদান কৰে। তদুপৰি, বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° পৰমানন্দ সোণোৱালে কেন্দ্ৰটোক ধন্যবাদ জ্ঞাপন কৰি প্ৰতিষ্ঠানিক সমৰ্থনৰ লগতে ব্যক্তিগতভাৱে দান আগবঢ়োৱাৰ আগ্ৰহ প্ৰকাশ কৰে। প্ৰাক্তন অধ্যাপক জয়ন্ত বৰবৰাই উদ্যোগটোক প্ৰশংসা কৰি এখন দোলনা দান কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। বিশ্ববিদ্যালয়খনৰ শিক্ষক-শিক্ষয়ত্ৰী তথা জ্যেষ্ঠজনৰ সক্ৰিয় অংশগ্ৰহণে ছাত্ৰ-ছাত্ৰী সকলক বিশেষভাৱে উৎসাহিত কৰে আৰু ইয়াৰ লগে লগে ছাত্ৰ-ছাত্ৰীসকলেও নিজৰ তৰফৰ পৰা বিভিন্ন সামগ্ৰী আগবঢ়োৱাৰ লগতে পৰৱৰ্তী সময়তো সক্ৰিয় অংশগ্ৰহণৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। এই উদ্যোগৰ জৰিয়তে অৰ্থনৈতিকভাৱে দুৰ্বল পৰিয়াল, চাহ-বাগিচা আৰু জনজাতীয় সম্প্ৰদায়, দুৰ্যোগপ্ৰৱণ অঞ্চল আৰু নগৰীয়া বসতিৰ শিশুসকললৈ সহায় আগবঢ়োৱা হ'ব। লগতে ই সমাজ কৰ্ম অধ্যয়ন কেন্দ্ৰৰ শিক্ষাৰ্থীসকলক সমাজমুখী কাম-কাজ আৰু কাৰ্যসূচী পৰিচালনাৰ ব্যৱহাৰিক অভিজ্ঞতা প্ৰদান কৰিব। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাজ কৰ্ম অধ্যয়ন কেন্দ্ৰৰ এই পদক্ষেপৰ প্ৰতি আৰ্থিক বা যিকোনো ধৰণৰ সহায় সহযোগিতা আগবঢ়াব বিচৰা ব্যক্তি বা প্ৰতিষ্ঠানসমূহক ৯১০১৩-৬৮৮২১ বা ৬০০১২-২৩২৫৯ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনায়। দান হিচাপে লাভ কৰা সামগ্ৰীৰ সংগ্ৰহ, বাছনি আৰু বিতৰণ সমাজ কৰ্ম অধ্যয়ন কেন্দ্ৰৰ শিক্ষাৰ্থী আৰু স্বেচ্ছাসেৱকসকলৰ দ্বাৰা সম্পন্ন কৰা হ'ব, যাতে স্বচ্ছতা আৰু ন্যায়সংগত বিতৰণ নিশ্চিত হয়। এই পদক্ষেপৰ বিস্তৃত দৃষ্টিভংগীৰ বিষয়ে মত প্ৰকাশ কৰি সমাজ কৰ্ম অধ্যয়ন কেন্দ্ৰৰ তৰফৰ পৰা জনোৱা হৈছে যে 'গিফ্‌ট এ চাইল্ডহুড' কেৱল এটা দান অভিযান নহয়-ই হৈছে সহানুভূতি, সমজুৱা দায়িত্বৰ জৰিয়তে শিশুসকলৰ শৈশৱৰ আনন্দ পুনৰুদ্ধাৰ কৰাৰ এক অভিনৱ আন্দোলন।

# সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা পদ্মশ্ৰী ৰংবং তেৰাং দেৱে শিক্ষা গ্ৰহণ কৰা লংকা হাইস্কুলৰ মহাৰজত জয়ন্তী





**মুকুল গোস্বামী, লংকা ঃ** হোজাই জিলাৰ অন্যতম পুৰণি শিক্ষানুষ্ঠান লংকা হাইস্কুলে আৰম্ভণিৰ ১৯৫০ চনৰ পৰা আহি ৭৫ টা বছৰ অতিক্ৰম কৰিলে। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্যিক, গল্পকাৰ, ঔপন্যাসিক, চুটি গল্প, কবিতা আদিৰে অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ উজ্বল নক্ষত্ৰ, পদ্মশ্ৰী ৰংবং তেৰাঙ দেৱে শিক্ষা গ্ৰহণ কৰা গৌৰৱ মই লংকা হাইস্কুলৰ নানান ঘাট প্ৰতিঘাটেৰে বৰ্ণিল পৰিক্ৰমাৰ সোণালী সোঁৱৰণৰ বাবে। লগতে লংকা হাইস্কুলৰ জন্মলগ্নৰ জড়িত শিক্ষা গুৰু, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী একত্ৰিত হৈ জ্যেষ্ঠজনক সন্মান আৰু কনিষ্ঠসকলক উদ্‌গনি দিয়াৰ অৰ্থে অহা ১৬,১৭ আৰু ১৮ জানুৱাৰী ২০২৬ তাৰিখে তিনিদিনীয়া বৰণীয়া কাৰ্যসূচীৰে মহাৰজত জয়ন্তী সমাৰোহ উদ্‌যাপনৰ আয়োজন কৰা বুলি আয়োজক সমিতিয়ে জানিবলৈ দিছে। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পদ্মশ্ৰী ৰংবং তেৰাঙে বিদ্যালয়খনৰ পৰা প্ৰথমটো হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ শিক্ষা লাভ কৰা লংকা হাইস্কুলৰ মহাৰজত জয়ন্তী সমাৰোহৰ প্ৰস্তুতি ইতিমধ্যে পূৰ্ণগতিত চলি আছে। মহাৰজত জয়ন্তী সমাৰোহৰ কাৰ্যসূচী হিচাবে ১৬ জানুৱাৰীৰ দিনা পুৱা পতাকা উত্তোলন, শিক্ষাগুৰু সকললৈ শ্ৰদ্ধাঞ্জলি, তোৰণ মুকলি আৰু বিয়লি প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ অন্তৰঙ্গ আলাপ। সন্ধিয়া ৬ বজাত ড° ভূপেন হাজৰিকা সোঁৱৰণি সাংস্কৃতিক সন্ধিয়া মুকলি কৰিব লংকা ৰাজহ চক্ৰ বিষয়া অপৰূপা বৰগোহাঁয়ে। ১৭ জানুৱাৰীত শিল্পী দিৱস উপলক্ষে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰালালৈ শ্ৰদ্ধা নিবেদনৰ বিশেষ অনুষ্ঠানৰ লগতে দুপৰীয়া ২ বজাত 'বৰ্তমানৰ শিক্ষা ব্যৱস্থা আৰু ইয়াৰ ভৱিষ্যত' শীৰ্ষক আলোচনা-চক্ৰত ভাগ ল'ব গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক আব্দুল মান্নান, ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য মানবেন্দ্ৰ দত্ত চৌধুৰী, নগাঁও কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° শৰৎ বৰকটকীয়ে। সন্ধিয়া ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা সোঁৱৰণী সাংস্কৃতিক অনুষ্ঠান মুকলি কৰিব লামডিং সমজিলা আয়ুক্ত চন্দন বৰগোহাঁয়ে। সংগীত সন্ধিয়াত উপস্থিত থাকিব বিশিষ্ট শিল্পী লোকনাথ গোস্বামী। ১৮ জানুৱাৰীৰ অন্তিম দিনা পুৱা সাংস্কৃতিক শোভাযাত্ৰা। ২ বজাত অনুষ্ঠিত হ'ব লগা মুকলি সভাত উপস্থিত থাকিব শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমনি শইকীয়া, হোজাই আৰু লামডিং সমষ্টিৰ বিধায়ক ৰামকৃষ্ণ ঘোষ আৰু শিবু মিশ্ৰ, চামগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ইন্দ্ৰজিত বেজবৰুৱা আৰু বিদ্যালয় পৰিদৰ্শক ৰঞ্জন কুমাৰ ডেকা। সন্ধিয়া জুবিন গাৰ্গ সোঁৱৰণী সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব হোজাই জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে। সংগীতানুষ্ঠানৰ মুখ্য আকৰ্ষণ জনপ্ৰিয় কণ্ঠশিল্পী তৰালী শৰ্মা। মহাৰজত জয়ন্তী সমাৰোহৰ তিনিও দিনাৰ সমূহ কাৰ্যসূচী যাতে সফল হয় তাৰ বাবে বিদ্যালয়খনৰ সকলো ন-পুৰণি ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী,শুভাকাংক্ষী ৰাইজৰ উপস্থিতি, সহায় সহযোগিতা কামনা কৰা হৈছে। উল্লেখ্য যে পিএম শ্ৰী লংকা হাইস্কুল মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ নামত এটা বেংক একাউন্ট খোলা হৈছে। আগ্ৰহী সকলোকে মহাৰজত জয়ন্তী সমাৰোহলৈ নিজৰ সামৰ্থ্য অনুসৰি বৰঙণি আগবঢ়াবলৈ অনুৰোধ জনাইছে উদ্‌যাপন সমিতিয়ে। একাউন্ট নম্বৰ হ'ল - 44370804717, IFSCode-SBIN0009144 ।আৰু যোগাযোগৰ নম্বৰ - ৯৭০৭৭৮৭২৮৯, ৯৪৩৫০৬৬৬০১।





# মুকতাৰ আলী আৰু 'এপাচি সৰাপাত'ৰ ঝংকাৰ

■ **কৃষ্টিনা গগৈ,** টিংখং, ডিব্ৰুগড়




**ক**বিতা মানুহৰ মনৰ ভাষা। পৃথিৱীৰ প্ৰতিজন মানুহেই ওৰেটো জীৱন ভিন্ন ভাৱাবেগৰ অসংখ্য কবিতা নিজৰ মন-মগজুত কঢ়িয়াই ফুৰে। অথচ পৃথিৱীৰ প্ৰতিজন মানুহেই কবি নহয়। পৃথিৱীৰ প্ৰতিজন মানুহেই নিজৰ মন মগজুত অহৰহ কঢ়িয়াই ফুৰা অনুভৱ সমূহক কলাত্মকভাৱে , শব্দৰ লালিত্যৰে বহিঃপ্ৰকাশ কৰাত অপাৰগ। ইয়েই কবি আৰু সাধাৰণ মানুহৰ মাজৰ সংবেদনশীলতা আৰু চিন্তাধাৰাৰ মাজৰ পাৰ্থক্য। অসমৰ কাব্য সাহিত্যৰ পথাৰত ন-কৈ বীজ সিঁচা কবি মুকতাৰ আলি এইক্ষেত্ৰত অৰ্থাৎ মনস্তাত্বিক জগতৰ ভাবসমূহক কলাত্মক আৰু সু-শৃংখলিত বহিঃ প্ৰকাশৰ ক্ষেত্ৰত যেন চিৰ অংগীকৃত। ইতিমধ্যে যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ, চিকিৎসা বিজ্ঞানৰ ছাত্ৰ মুকতাৰ আলীৰ তৃতীয়খন কাব্য গ্ৰন্থ 'এপাচি সৰাপাত' প্ৰকাশ পাইছে। ইয়াৰ পূৰ্বে প্ৰকাশ পোৱা তেওঁৰ অন্য দুখন কাব্য গ্ৰন্থ হ'ল ক্ৰমে 'নীলিম' আৰু 'তেজৰ চেঁকুৰা'। কোকৰাঝাৰৰ পৰ্বতঝোৰা সমষ্টিৰ অন্তৰ্গত এটা ভিতৰুৱা অঞ্চল মদাতী পাহাৰ বস্তি গাঁৱত জন্মগ্ৰহণ কৰা মুকতাৰ আলীয়ে চিকিৎসা বিজ্ঞানৰ দৰে এটা জটিল বিষয়ত অধ্যয়নৰত হৈয়ো ইয়াৰ সমান্তৰালভাৱে অসমীয়া ভাষা-সাহিত্য তথা কাব্য চৰ্চা কৰা কাৰ্যই মুকতাৰৰ কঠোৰ অধ্যৱসায় আৰু মেধাৰ পৰিচয় দিয়ে। 'এপাচি সৰাপাত' কাব্যগ্ৰন্থখন কবি মুকতাৰে চৌপাশৰ পৃথিৱীখন বা দৈনন্দিন ঘটনাপ্ৰবাহে হৃদয় তথা মন-মগজুত সৃষ্টি কৰা আবেগৰ প্ৰতি প্ৰকাশ কৰা এক মিশ্ৰিত অনুভৱ, প্ৰতিক্ৰিয়া। অত্যন্ত সৰল ভাষাত কবি মুকতাৰে এপাচি সৰাপাতৰ মাধ্যমেৰে প্ৰেমিক হৈছে, নিৰ্জনতাক উপভোগ কৰি নিজৰ সৈতে কথা পাতিছে , সপোন দেখিছে, জননী আৰু জন্মদাতাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছে, মানৱতাৰ অধঃপতনত শিঁয়ৰি উঠিছে, মানুহৰ যন্ত্ৰণাৰ আৰ্তনাদত চকুলো নিগৰাইছে, অনুভৱৰ তুলাচনীৰে জুখি চাইছে জীৱন অথবা মৃত্যুক। তেওঁৰ জীৱনৰ বিভিন্ন সময়ত লিখা বহুকেইটা ভিন্ন স্বাদৰ কবিতা গ্ৰন্থখনত সন্নিৱিষ্ট হৈ আছে। বহুতো স্পৰ্শকাতৰ বিষয়বস্তু অত্যন্ত শালীন ভাষাৰে উপস্থাপন কৰাৰ বাবে এই কাব্য গ্ৰন্থখন সকলো শ্ৰেণীৰ পাঠকৰ বাবেই উপযোগী। কবিতাসমূহত কোনোধৰণৰ কঠিন বাক্যৰ অতিৰঞ্জিত ৰহণ নসনাৰ বাবেই সকলো শ্ৰেণীৰ পাঠকেই কবিতাৰ বিষয়বস্তুসমূহ সহজেই বুজি পাব। অৱশ্যে এই দিশটোৱে অৰ্থাৎ গভীৰ শব্দ লালিত্যৰ অভাৱে কবিতাসমূহৰ বিষয়বস্তুৰ গুৰুত্ব সামান্য পৰিমাণে লঘু কৰা দেখা গৈছে। আগন্তুক দিনত বাক্যৰ গাথঁনি আৰু শব্দ প্ৰয়োগৰ ক্ষেত্ৰত আৰু অধিক গুৰুত্ব প্ৰয়োগ কৰিলে এজন উল্লেখযোগ্য কবি হিচাপে মুকতাৰ যে অসমৰ কাব্য জগতত আৰু বহুদূৰ আগুৱাই যাব তাত কোনো সন্দেহ নাই। ভৱিষ্যতে মুকতাৰ যাতে মানুহৰ হৃদয় স্পৰ্শ কৰিব পৰা এজন সংবেদনশীল কবি আৰু মানৱদৰদী চিকিৎসক হিচাপে সফল হওঁক, এইয়াই আমাৰ কাম্য।

ম'বাইল ঃ ৮৭৬১৮-৩৫৯১২



জনতাৰ চৰকাৰ | my GOV मेरी सरकार

सत्यमेव जयते
অসম চৰকাৰ
উচ্চ আৰু বিদ্যালয় শিক্ষা বিভাগ

# নিযুত মইনা ২.০ৰ

## চেক বিতৰণ

মুখ্যমন্ত্ৰীৰ
নিযুত মইনা আঁচনি



উচ্চ শিক্ষা আহৰণৰ দিশত ৰাজ্যৰ
**১০ লাখ**
কন্যা শিক্ষাৰ্থীৰ বাবে অসম চৰকাৰৰ অভিলাষী পদক্ষেপ



## জিলা অনুসৰি ছাত্ৰীৰ সংখ্যা

| জিলা | উচ্চ শিক্ষা | বিদ্যালয় শিক্ষা | এছ চি ই আৰ টি | মুঠ |
|---|---|---|---|---|
| কামৰূপ | ১০৯৭৫ | ১১৪৩৩ | ১৩ | ২২৪২১ |
| কামৰূপ (মহানগৰ) | ১৩১৬৩ | ৭৯০১ | ২০ | ২১০৮৪ |
| নগাঁও | ৯৬৩৩ | ৯৭৩৬ | ৭ | ১৯৩৭৬ |
| বৰপেটা | ৭২৭২ | ১১০৩১ | ৪৬ | ১৮৩৪৯ |
| কাছাৰ | ৬১০৭ | ১০৫৫৮ | ১৯ | ১৬৬৮৪ |
| ধুবুৰী | ৫৭৯২ | ১০১৮১ | - | ১৫৯৭৩ |
| লখিমপুৰ | ৬৬২২ | ৮৫৭৯ | ২৪ | ১৫২২৫ |
| ধেমাজি | ৫২৪৪ | ৭৬৫৬ | ১৪ | ১২৯১৪ |
| কোকৰাঝাৰ | ৬০৯২ | ৬৫৯৯ | ৪৭ | ১২৭৩৮ |
| ডিব্ৰুগড় | ৫৯৪২ | ৬৩২৩ | ৪৯ | ১২৩১৪ |
| গোৱালপাৰা | ৪৫৭৩ | ৭৪১১ | ৫৪ | ১২০৩৮ |
| মৰিগাঁও | ৪০৬৯ | ৭৮০১ | ১১৪ | ১১৯৮৪ |
| নলবাৰী | ৫৮৮৩ | ৫৯১৯ | ৪৭ | ১১৮৪৯ |
| গোলাঘাট | ৪৮৫৪ | ৬৬৭৬ | ৩৫ | ১১৫৬৫ |
| শোণিতপুৰ | ৫৪৭৩ | ৫৮১৬ | ৮৩ | ১১৩৭২ |
| যোৰহাট | ৫৫৫২ | ৫২৭২ | ৬৯ | ১০৮৯৩ |
| শ্ৰীভূমি | ৪৫৩১ | ৫৪৮৭ | ২৪ | ১০০৪২ |
| তিনিচুকীয়া | ৪০৩০ | ৫৭৭১ | - | ৯৮০১ |
| দৰং | ৪৫৪৪ | ৪৩৮০ | ৮ | ৮৯৩২ |
| শিৱসাগৰ | ৩৭১২ | ৪৪১৭ | - | ৮১২৯ |
| ওদালগুৰি | ৪২৪৫ | ৩৭২০ | - | ৭৯৬৫ |
| বঙাইগাঁও | ৩৭৯১ | ৩৯৪৩ | ৫৫ | ৭৭৮৯ |
| হোজাই | ৪২১১ | ৩৪৮২ | - | ৭৬৯৩ |
| বিশ্বনাথ | ২৭৪৪ | ৪৪৫৫ | ৩২ | ৭২৩১ |
| হাইলাকান্দি | ২৫৪৭ | ৪৩৫৪ | ২৪ | ৬৯২৫ |
| বাক্সা | ১৯১৭ | ৩৪৭১ | - | ৫৩৮৮ |
| বজালী | ২৯২৫ | ২২৬১ | - | ৫১৮৬ |
| তামুলপুৰ | ১২৭০ | ৩৩৩৪ | - | ৪৬০৪ |
| চিৰাং | ২৪৭১ | ২১২০ | - | ৪৫৯১ |
| চৰাইদেউ | ১৭০৬ | ২৭৮৫ | - | ৪৪৯১ |
| কাৰ্বি আংলং | ২১৭২ | ২২২৭ | ১৯ | ৪৪১৮ |
| দক্ষিণ শালমাৰা-মানকাচৰ | ১৮৬৯ | ১৮০২ | - | ৩৬৭১ |
| মাজুলী | ১৪৫৩ | ১৬১৫ | - | ৩০৬৮ |
| ডিমা হাছাও | ৯৯০ | ১৭২৫ | ৩২ | ২৭৪৭ |
| পশ্চিম কাৰ্বি আংলং | ১৬৩ | ৬৫২ | - | ৮১৫ |
| মুঠ | ১৫৮৫৩৭ | ১৯০৮৯৩ | ৮৩৫ | ৩৫০২৬৫ |

২০২৪-২৫
১.৬ লাখ ছাত্ৰীলৈ
১৩৩ কোটি টকা মুকলি

২০২৫-২৬
৩.৫ লাখ+ ছাত্ৰীলৈ
নিযুত মইনা আঁচনিৰ সুবিধা

### সামাজিক ফলপ্ৰসূতা

- উচ্চ শিক্ষাত ছাত্ৰীৰ নামভৰ্তি বৃদ্ধি
- বাল্য বিবাহ প্ৰতিৰোধ তথা কিশোৰী অৱস্থাৰ মাতৃত্বৰ হাৰ হ্ৰাস
- আৱেগিক, মানসিক আৰু শাৰীৰিকভাৱে পৰিপক্ক বয়সৰ নোহোৱালৈকে কন্যাসকলৰ বিবাহ প্ৰতিৰোধ
- শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষাৰ অধিকাৰ সুনিশ্চিতকৰণ

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam | dipr.assam.gov.in

Janasanyog RO no 3758/25/2-January-26

# ‘ৱিক্সিত ভাৰত গেৰাণ্টী ফৰ ৰোজগাৰ এণ্ড আজীৱিকা মিছন’ বিধেয়ক প্ৰত্যাহাৰৰ দাবী

## ৰাষ্ট্ৰপতিলৈ স্মাৰকপত্ৰ প্ৰেৰণ গ্ৰামীণ শ্ৰমিক সন্থাৰ

**জয়ন্ত মুদৈ, নগাঁও ঃ** সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি শুভ্ৰজ্যোতি বৰ্ধন আৰু সাধাৰণ সম্পাদক অৰূপ কুমাৰ মহন্তই এক প্ৰেছ বিবৃতিৰ যোগে জনাই যে- বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে গ্ৰামীণ কৰ্ম নিশ্চয়তাৰ আইনী অধিকাৰ ‘মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আইন’ ধ্বংস কৰাৰ মানসেৰে ‘ৱিক্সিত ভাৰত গেৰাণ্টী ফৰ ৰোজগাৰ এণ্ড আজীৱিকা মিছন (গ্ৰামীণ) নামৰ যি বিধেয়ক সংসদত অতি কৌশলেৰে আৰু গোপনে দেশবাসীৰ মাজত কোনো আলোচনা নাইবা পৰামৰ্শ বিনিময় নকৰাকৈ তথা বিৰোধী ৰাজনৈতিক দলসমূহে উক্ত বিধেয়কখন বিতংকৈ নিৰীক্ষণ কৰিবলৈ ষ্টেণ্ডিং কমিটিলৈ প্ৰেৰণ কৰাৰ দাবী নস্যাৎ কৰি লোকসভা আৰু ৰাজ্যসভাত গৃহীত কৰি ৰাষ্ট্ৰপতিৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰিলে সেয়া সম্পূৰ্ণৰূপে প্ৰত্যাহাৰৰ দাবীত সোমবাৰে দেশজুৰি সাৰ্বস্ত কৰা প্ৰতিবাদৰ অংশ হিচাপে অসমতো ডিব্ৰুগড় আৰু নগাঁও জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ জৰিয়তে ভাৰতৰ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু লৈ স্মাৰকপত্ৰ প্ৰদান কৰা হয়। বিবৃতিটোত উল্লে কৰে যে- মোদী চৰকাৰৰ উদ্দেশ্য হৈছে বৰ্তমানৰ গ্ৰামীণ নিয়োগ নিশ্চয়তা আইনৰ আইনী অধিকাৰৰ গাঁথনি ভাঙি মহাত্মা গান্ধীক হত্যা কৰাৰ দৰে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আইনকো হত্যা কৰা। মোদী চৰকাৰ ক্ষমতালৈ অহাৰ প্ৰথম দিনৰে পৰাই উক্ত আইনখন দুৰ্বল কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল আৰু এতিয়া বিহাৰত ছলে-বলে নিৰ্বাচনত জিকাৰ পাছতেই ‘ৱিক্সিত ভাৰত গেৰাণ্টী ফৰ ৰোজগাৰ এণ্ড আজীৱিকা মিছন (গ্ৰামীণ)’ বিধেয়ক আনি পূৰ্বৰ নিয়োগ নিশ্চিত আইনখন কবৰ দিব খুজিছে। ইয়াৰ দ্বাৰা গ্ৰামীণ পৰিয়ালৰ কোনো সদস্যই বছৰেকত ১০০ দিনৰ বাবে কামৰ দাবী কৰিলে চৰকাৰে ১৫ দিনৰ ভিতৰত কাম দিব পৰাটো বাধ্যতামূলক আছিল আৰু কাম দিব নোৱাৰিলে নিবনুৱা ভাট্টা প্ৰদানৰ ব্যৱস্থা আছিল। উক্ত আইনখন আছিল চাহিদা নিৰ্ভৰ। এতিয়া নতুন বিধেয়কৰ জৰিয়তে কাম দাবী কৰা আৰু পোৱাৰ তথা কাম দিব নোৱাৰিলে নিবনুৱা ভাট্টা প্ৰদানৰ সকলো আইনী অধিকাৰ ধ্বংস কৰি ইয়াক চৰকাৰৰ দয়াৰ ওপৰত এৰি দিয়া হৈছে। পূৰ্বৰ আইনত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ ব্যয়ৰ অনুপাত আছিল ৯০.১০ আৰু এতিয়া কেন্দ্ৰৰ বোজা হ্ৰাস কৰি ৰাজ্যৰ ওপৰত ব্যয়ৰ বোজা ৬০.৪০ হাৰত বৃদ্ধিৰ ব্যৱস্থা কৰা হৈছে। ঠিক একেদৰে পূৰ্বৰ আইনত গাঁও সভাৰ চুপাৰিছ মৰ্মে ৰাজ্য চৰকাৰে যি বাজেট বনাইছিল সেই মতে কেন্দ্ৰ চৰকাৰে ধনৰাশি আবণ্টন দিছিল আৰু বৰ্তমানৰ বিধেয়ক মতে কেন্দ্ৰীয় চৰকাৰে বিজ্ঞপ্তি জাৰি কৰি ঠিক কৰিব ক'ত কি কাম দিয়া হ'ব আৰু সেই মতে ৰাজ্য চৰকাৰে কাম দিব। অৰ্থাৎ গাঁও সভাৰ আইনী অধিকাৰ সমূলে হত্যা কৰি দেশৰ যুক্তৰাষ্ট্ৰীয় গাঁথনিৰ ওপৰত পোনপটীয়াকৈ আঘাত কৰি দেশখনক এক কেন্দ্ৰীভূত শাসন ব্যৱস্থাৰ ফালে লৈ যাব খুজিছে। পূৰ্বৰ আইনত ১২ মাহেই কাম বিচৰাৰ অধিকাৰ আছিল। কিন্তু এতিয়াৰ বিধেয়কৰ জৰিয়তে কৃষিৰ ভৰপক সময়ত অৰ্থাৎ ৰোৱা আৰু ফচল চপোৱাৰ সময়ত কেন্দ্ৰ চৰকাৰে ৬০ দিন কাম দিয়াটো নিষিদ্ধ কৰিছে। যদিও এই বিধেয়কত চমৎকাৰ হিচাপে ১২৫ দিন কাম দিয়াৰ কথা কোৱা হৈছে কিন্তু মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আইনৰ সময়ছোৱাতেই মোদী চৰকাৰৰ দিনত এজন শ্ৰমিকে ৫০ দিন কাম পোৱাৰেই নজিৰ বহু কম। যেতিয়া গ্ৰামীণ দৰিদ্ৰ ৰাইজৰ বহু সংগ্ৰাম আৰু বাওঁপন্থী দল সমূহৰ দ্বাৰা সংসদৰ ভিতৰত আৰু বাহিৰত সংগ্ৰাম গঢ়ি তুলি উক্ত মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আইন আজুৰি আনিবলৈ সক্ষম হৈছিল তেতিয়া তেনে আইনক আজি আদানী-আম্বানীৰ স্বাৰ্থত কোম্পানী ৰাজ প্ৰতিষ্ঠা কৰিব খোজা মোদী চৰকাৰে গ্ৰামীণ দৰিদ্ৰ ৰাইজৰ মজুৰিক কেন্দ্ৰ কৰি দৰদাম কৰিব পৰা আইনী অধিকাৰক কবৰ দি বৃহৎ পুঁজিপতিৰ গোলাম বনাব খুজিছে। সেয়েহে, এনে এক পৰিপ্ৰেক্ষিতত সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থাৰ কেন্দ্ৰীয় সমিতিয়ে ‘ৱিক্সিত ভাৰত গেৰাণ্টী ফৰ ৰোজগাৰ এণ্ড আজীৱিকা মিছন’ (গ্ৰামীণ) বিধেয়কখন তাৎক্ষণিকভাৱে প্ৰত্যাহাৰৰ দাবী জনোৱাৰ লগতে ২০০ দিনৰ কাম আৰু দৈনিক ৬০০ টকাকৈ মজুৰি প্ৰদানৰ দাবী জনাই ভাৰতৰ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু লৈ স্মাৰকপত্ৰ প্ৰদান কৰিছে বুলি জানিব দিয়ে শ্ৰমিক সংগঠনটোৰ নেতাদ্বয়ে।

# সমাজকৰ্মী ফণীধৰ হালৈৰ অভিনন্দন গ্ৰন্থ মাণিক প্ৰভা উন্মোচন


**ৰমেন ভৰালী, বংশৰ ঃ** আমি সৰাচৰ এজন মানুহ মৃত্যু ঘটিলেহে গুণানুকীৰ্তন কৰো, জীয়াই থাকোতে সেই গৰাকীক বিভিন্ন কথা বতৰাৰে সমালোচনাৰে থকাসৰকা কৰো। সমাজৰ লগত একাত্ম হৈ থকা সকলৰ আমাৰ সদায় শ্ৰদ্ধেয়। এই মন্তব্য শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা এগৰাকী বিশিষ্ট সাহিত্যিক বাসুদেৱ শৰ্মাৰ। যোৱা ২১ ডিচেম্বৰ তাৰিখে শোণিতপুৰ জিলাৰ ৰঙাপৰা সমষ্টিৰ খনামুখৰ এগৰাকী বিশিষ্ট সমাজকৰ্মী ফণীধৰ হলৈৰ এখনি অভিনন্দন গ্ৰন্থ উন্মোচনী সভাত সভাপতিৰ আসনৰ পৰা এই দৰে কয়। উল্লেখ্য খনামুখ অঞ্চলৰ এগৰাকী ৮৭ বছৰীয়া তৰুণ ফণীধৰ হালৈৰ জীৱন পৰিক্ৰমা সামৰি খানামুখ শাখা সাহিত্য সভাই মাণিকপ্ৰভা নামাকৰণেৰে এখনি অভিনন্দন গ্ৰন্থ প্ৰকাশ কৰি উলিয়াই আৰু খনামুখ চেন্টাৰস্থিত তেখেতৰ বাসগৃহত এখনি গাম্ভীৰ্যপূৰ্ণ সভাৰ জৰিয়তে উন্মোচনৰ ব্যৱস্থা কৰে। সেই উদ্দেশ্যে ২১ ডিচেম্বৰৰ দিনৰ ৰৰ বজাৰ পৰা বন্তি প্ৰজ্বলন আৰু মন্ত্ৰোচ্চাৰণেৰে মাঙ্গলিক কাৰ্যসূচী আৰম্ভ হয়। শাখাটোৰ সভাপতি বিষ্ণু শাস্ত্ৰীয়ে বন্তি প্ৰজ্বলনৰ শুভাৰম্ভ কৰে আৰু মন্ত্ৰোচ্চাৰণ কৰে নাৰায়ণ উপাধ্যায়ে। শাখাটোৰ সম্পাদক ৰাজু চহৰীয়াই আৰম্ভণিতে আদৰণি ভাষণ আৰু উপ-সভাপতি দেনেশ্বৰ পাৰে সভাৰ শেষত শলাগ জ্ঞাপন কৰে। আদৰণিৰ পিছতেই নিৰ্দ্দিষ্ট বক্তা হিচাপে মন্তব্য আগবঢ়ায় সমাজহিতৈষী বঁটা প্ৰাপক তথা হালৈৰ পৰম বন্ধু কমিচন মিলি ডাঙৰীয়াই ফণীধৰ হালৈ জীৱন পৰিক্ৰমাৰ সম্পৰ্কে বিষদভাৱে বহলাই কয়। ভাষণ প্ৰসঙ্গত তেখেতে মানুহ ভালপোৱা ফণীধৰ হালৈ কেনেদৰে নলবাৰী জিলাৰ পৰা আহি ইয়াতে বসবাস কৰি এই ঠাইখিনিকে আঁকোৱালি লৈ ঘৰ মাটি বান্ধি আজিৰ অৱস্থা পোৱাৰ কথা সদৰী কৰে। খনামুখ উচ্চ মাধ্যমিক বিদ্যালয় খনামুখ বিহু সমিতি দুৰ্গাপূজা আদিৰ প্ৰতিষ্ঠালগ্নৰ লগত জড়িত হৈ সমাজখনত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত তেখেতৰ অৱদানক সোঁৱৰে। ইয়াৰ পিছতেই মাণিকপ্ৰভা নামৰ গ্ৰন্থখন উন্মোচন কৰে অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক বিশিষ্ট লেখক দুলাল নাথে। গ্ৰন্থ উন্মোচনী ভাষণত তেখেতে পুৰোধা আৰু বৰণ্যসকলক অসমীয়া জাতিয়ে সদায়ে স্মৰণ আৰু সন্মান কৰি আহিছে। অৱসৰী কালছোৱাত নিজৰ মাজতে আৱদ্ধ নাথাকি সমাজৰ উন্নয়নৰ বাবে কাম কৰা ফণীধৰ হালৈ দেৱ প্ৰকৃতাৰ্থত এজন মানুহক ভাল পোৱা লোক। তাৰোপৰি এই বয়সতো লেখামেলাৰ জৰিয়তে বৌদ্ধিক চৰ্চা অব্যাহত ৰখাটো সকলোৰে বাবে আদৰণীয়। ইয়াৰ উপৰিও ঘৰতে বাঁহ বেতৰ সামগ্ৰী বনাই বিক্ৰী কৰি গ্ৰাম্য অৰ্থনীতি এক উৎকৃষ্ট উদাহৰণ দেখাইছে বুলি উল্লেখ কৰি সাহিত্যকৰ্মী শিক্ষক ভূৱন ছেত্ৰীয়ে সম্পাদনা কৰা মাণিকপ্ৰভা অভিনন্দন গ্ৰন্থ উন্মোচন কৰে। সভাৰ মাজতে খনামুখ শাখা সাহিত্য সভাই ফণীধৰহালৈ দেৱক শৰাই গামোচা সম্বৰ্ধনা পত্ৰ চেলেং আদিৰে সম্বৰ্ধনা জনায়। ইয়াৰ উপৰিও খনামুখ ইংয়ষ্টাৰ ক্লাৱ, নেপালী সাহিত্য সভা শোণিতপুৰ জিলা সমিতি সাৰথি ওৱেফেয়াৰ ছ'চাইটি, বৃহত্তৰ গোৰ্খা সমাজ খনামুখ জনকল্যান সমিতি খনামুখ আদি সংগঠন সমূহে সম্বৰ্ধনা পত্ৰ গামোচা আদিৰে সম্বৰ্ধনা জনায়। উল্লেখ্য যে এই সভাত ৰঙাচকুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ গোপাল দাস, খনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ক্ৰমে নিত্যপ্ৰসাদ উপাধ্যায় লোকনাথ শৰ্মা, বৰ্তমানৰ অধ্যক্ষ মুনিন নৰহ নেপালী সাহিত্য সভাৰ সভাপতি অনিল গৌতম, জ্যেষ্ঠ নাগৰিক শোণিতপুৰ জিলাৰ সভাপতি নাৰায়ণ দাসঅৱসৰ প্ৰাপ্ত শিক্ষক বেণীমাধৱ বৰা, ঘনকান্ত হাজৰিকা, মাধৱ বৰা, ৰূপকোঁৱৰ শাখাৰ সাংগঠনিক সম্পাদক চিত্ৰ ৰঞ্জন নাথ, চাৰিদুৱাৰ শাখা সাহিত্য সভাৰ সম্পাদক প্ৰকাশ উপাধ্যায় শোণিতপুৰ জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক প্ৰতিভা ধৰ স্থানীয় সমাজকৰ্মী মহেশ্বৰ ছেত্ৰী, গোপাল ছেত্ৰী, গণেশ ছেত্ৰী মোহন উপাধ্যায়, দেনেশ্বৰ পাৱ উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।




# কপাহেৰাত প্ৰাইজমানি দিবা-নৈশ ক্ৰিকেট টুৰ্ণামেণ্টৰ সফল সমাপ্তি চাপৰমুখ ক্ৰিকেট ক্লাব চেম্পিয়ন




**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও আৰু মৰিগাঁও জিলাৰ সীমামূৰীয়া কপাহেৰা আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত কপাহেৰা ষ্টেডিয়ামত আয়োজিত সদৌ অসম ভিত্তিক সীমিত অভাৰৰ প্ৰাইজমানি দিবা-নৈশ ক্ৰিকেট টুৰ্ণামেণ্টত চাপৰমুখ ক্ৰিকেট ক্লাবে চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। এই টুৰ্ণামেণ্টৰ দেওবাৰে নৈশালোকত অনুষ্ঠিত হোৱা ফাইনেলত চাপৰমুখ ক্ৰিকেট ক্লাবে কপাহেৰা আঞ্চলিক ক্ৰিকেট ক্লাবক ২৭ ৰাণত পৰাজিত কৰে। খেলখনত চাপৰমুখ ক্ৰিকেট ক্লাবে পোনতে বেট ধৰি মৃন্ময় বৰাৰ ৫৬ ৰাণৰ উল্লেখনীয় অৱদানৰে নিৰ্ধাৰিত ৮ অভাৰত পাঁচটা উইকেটৰ বিনিময়ত ৯৬ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত কপাহেৰা আঞ্চলিক ক্ৰিকেট ক্লাবে নিৰ্ধাৰিত ৮ অভাৰত সঞ্জয় বড়োৰ ২৩ ৰাণৰ উল্লেখনীয় বৰঙনি স্বত্বেও নটা উইকেট হেৰুৱাই ৬৯ ৰাণহে কৰিবলৈ সক্ষম হয়। ৰাজীৱ বৰগোহাঁই আৰু প্ৰহ্লাদ বৰদলৈ আম্পায়াৰৰূপে থকা ফাইনেল খেলখনত ৰূপজ্যোতি সন্দিকৈ থাৰ্ড আম্পায়াৰ তথা পুলক চন্দ্ৰ বৰদলৈ মেচ ৰেফাৰীৰূপে আছিল। টুৰ্ণামেণ্টৰ অন্তত অনুষ্ঠিত হোৱা সামৰণি অনুষ্ঠানত কপাহেৰা আঞ্চলিক ক্ৰীড়া সন্থাৰ তৰফৰ পৰা আগবঢ়োৱা ট্ৰফী সহ নগদ ত্ৰিশ হেজাৰ টকা সন্থাৰ কাৰ্যকৰী সভাপতি হেৰম্ব প্ৰসাদ ডেকাই চূড়ান্ত বিজয়ী দলক আৰু ৰিতুমণি ডেকাৰ সোঁৱৰণত পুত্ৰ কৃশাংকু ডেকাই বিজিত দলক ট্ৰফী সহ নগদ পোন্ধৰ হেজাৰ টকা প্ৰদান কৰাৰ উপৰি সমাজকৰ্মী লাহেশ্বৰ বৰদলৈ, দিবেন্দ্ৰ নাথ, বিৰেন লাহন, হিৰণ্য নাথ, পবিত্ৰ বৰা, কুমুদ ফুকনৰ উপৰি ভাৰ্গৱজ্যোতি ডেকা, দিব্যজ্যোতি বৰুৱা, ৰাজীৱ বৰদলৈ, ৰাতুল বৰদলৈ, নৱজ্যোতি শইকীয়া, পল্লৱ ডেকা, হৰি বৰদলৈ, পৰেশ বৰুৱা, প্ৰসন্ন বৰা, জিতু ডেকা, দীপ ফুকন, এম পি গগৈ, শান্তনু বৰদলৈ আদিৰ উপস্থিতিত বিভিন্ন বঁটাসমূহ বিতৰণ কৰা হয়। গ্ৰামাঞ্চলৰ পৰা প্ৰতিভাৱান ক্ৰিকেটাৰ সৃষ্টিৰ উপৰি ক্ৰীড়াৰ এক সুন্দৰ বাতাবৰণ আগবঢ়াই নিয়াৰ প্ৰয়াসৰে আয়োজিত টুৰ্ণামেণ্টত চাপৰমুখ ক্ৰিকেট ক্লাবৰ মৃন্ময় বৰাই ফাইনেলৰ প্লেয়াৰ অব দ্যা মেচ আৰু ৰিয়াজে প্লেয়াৰ অব দ্যা টুৰ্ণামেণ্টৰ বঁটা লাভ কৰে বুলি টুৰ্ণামেণ্ট পৰিচালনা সমিতিৰ সভাপতি ৰাজীৱ বৰগোহাঁই আৰু সম্পাদক দীপজ্যোতি বৰদলৈয়ে জানিবলৈ দিছে।



# “বেহাৰবাৰী Outpost” ধাৰাবাহিকত আৰক্ষী বিষয়া ‘তৰামাই’ চৰিত্ৰত অভিনয় কৰা জনপ্ৰিয় অভিনেত্ৰী সীমা বৰুৱাৰ লগত এক অন্তৰংগ আলাপ

অসমীয়া চলচ্চিত্ৰ, মঞ্চ আৰু ‘বেহাৰবাৰী Outpost” ধাৰাবাহিকত আৰক্ষী বিষয়া ‘তৰামাই’ চৰিত্ৰত সুন্দৰ অভিনয় কৰা নগাঁও তথা অসমৰ জনপ্ৰিয় অভিনেত্ৰী সীমা বৰুৱাৰ সৈতে হোৱা এক অন্তৰংগ আলাপৰ সম্পাদিত ৰূপ পাঠকৰ বাবে আগবঢ়োৱা হ’ল -

**■ অসমৰ অভিনয় জগতলৈ আপোনাৰ প্ৰৱেশ কেনেকৈ হৈছিল ?**

**সীমা বৰুৱা ঃ** ২০০৫-২০০৬ চন মানৰ পৰা মই নাটকৰ লগত জড়িত। নগাঁৱৰ নাট্যকাৰ নৰজ্যোতি বৰা মোৰ অভিনয়ৰ গুৰু আছিল। নৰজ্যোতি বৰাৰ সুন্দৰম নাট্যগোষ্ঠীৰ তৰফৰ পৰা আমি সেই সময়ত বিভিন্ন নাটকত অভিনয় কৰিছিলোঁ। নগাঁৱৰ অবিনশ্বৰ নাট্যগোষ্ঠীৰ লগতো মই অভিনয় কৰিছো। নগাঁৱৰ ৰংগালয় নাট্যগোষ্ঠীৰ বিখ্যাত নাট্যকাৰ মৃণাল বৰাৰ পৰিচালনাতো নাটকত মই অভিনয় কৰিছো। তেনেকৈয়ে প্ৰথম আৰম্ভণি। মোৰ প্ৰথম কথাছবি আছিল ‘অন্তৰীন’। পৰিচালনা মঞ্জুল বৰুৱাৰ।

**■ অভিনয় জগতলৈ আহোঁতে আপোনাৰ পিতৃ-মাতৃৰ অৰিহণা নিশ্চয় যথেষ্ট আছে। আপোনাৰ পিতৃ-মাতৃৰ বিষয়ে অলপ কওঁকচোন ?**

**সীমা বৰুৱা ঃ** মোৰ পিতৃৰ নাম শ্ৰী দুৰ্লভ বৰুৱা আৰু মাৰ নাম শ্ৰীমতী অৰুণা বৰুৱা। ২০০৫- ২০০৬ চনত মই যেতিয়া নাটকত অভিনয় কৰিছিলোঁ তেতিয়া একাংকিকা নাটকৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰোতে বিভিন্ন স্থানলৈ অভিনয় কৰিবলৈ যাবলগা হয় গতিকে সেই সময়ত আমাৰ ঘৰৰ ওচৰ পাজৰৰ কিছু মানুহে আলোচনা কৰিছিল যে গাভৰু ছোৱালী এজনী এনেকৈ বাহিৰে বাহিৰে অভিনয় কৰি ঘূৰি ফুৰাটো বৰ ভাল কথা নহয়। এই কথাবোৰ মাহঁতৰ কাণত পৰোঁতে মা দেউতাহঁতে অলপ বাধা দিছিল যে অভিনয় কৰিব নালাগে বুলি। তাৰপিছত পঢ়াশুনা কৰি স্নাত্তোকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পিছত দাদাহঁতে কৈছিল যে নাটক কৰি থকাতকৈ চাকৰি আদিকে কৰ। মই যিহেতু নিচা হিচাপে অভিনয় কৰিছিলোঁ পিছত কেনেকৈ পেচা হিচাপে অভিনয় কৰিব পাৰোঁ সেয়াই মোৰ চেষ্টা আছিল। পিছত অভিনয় কৰি সুনাম অৰ্জন কৰোতে মা দেউতা যথেষ্ট সুখী হ’ল।

**■ সম্প্ৰতি নতুন প্ৰজন্মৰ কোনবোৰ কথাই আপোনাক চিন্তিত কৰে ?**

**সীমা বৰুৱা ঃ** নতুন প্ৰজন্মৰ বেলেগ বেলেগ দিশটো বহুত আছে। সময়ৰ লগত সকলো উটি ভাঁহি যোৱাৰ দৰে হৈছে। এতিয়া Generation আমাৰ দৰে হীনমন্যতাত ভোগা নহয়। নতুন প্ৰজন্ম কথা বতৰাই যথেষ্ট Forward. কোনো কথাত Hesitation নাথাকে। আমি আগতে নাটক কৰোতে কিবা এটা কৰিলে কোনোবাই হাঁহি দিব নেকি এনেকুৱা এটা ভয়ভাব থাকে। আজিকালি ল’ৰা-ছোৱালীৰ সেই ভয়ভাবটো নাই। সেইটো ভাল হৈছে। কিন্তু আজিকালি ল’ৰা-ছোৱালীৰ ধৈৰ্য্যটো কম। আজিকালি ল’ৰা-ছোৱালীয়ে অভিনয় শিকাতকৈ কেনেকৈ বিখ্যাত হ’ব পাৰি সেই কথাটোত বেছি গুৰুত্ব দিয়ে।

**■ আপোনাৰ অসাধাৰণ অভিনয় প্ৰতিভাৰ বাদে সাহিত্য, সংগীত বা অন্য কোনো বিষয়ত আপোনাৰ ৰুচি আছে নেকি ?**

**সীমা বৰুৱা ঃ** মই সংগীতৰ লগত জড়িত। মোৰ প্ৰথম নিচাটো সংগীততেই আছিল। সংগীতৰ জগতত প্ৰৱেশ কৰাৰ বাবেহে অভিনয় জগতত মই খোজ পেলাবলৈ সক্ষম হৈছিলোঁ।

**■ অকল শিক্ষা আৰু সংস্কৃতিয়েই এটা জাতিৰ উত্তৰণৰ একমাত্ৰ পথ বুলি ভাবে নেকি ?**

**সীমা বৰুৱা ঃ** শিক্ষাটো মানুহক লাগিবই। জাতি এটা আগবাঢ়ি যাবলৈ জাতিটোৰ বিষয়ে জনাটো খুব দৰকাৰী। সুধাকণ্ঠ স্বৰ্গীয় ড° ভূপেন হাজৰিকাদেৱে কোৱাৰ দৰে নিজক ভালপাওঁ বুলি বেলেগক ভাল নাপাওঁ বুলি ক’ব নোৱাৰোঁ (অলপ হাঁহি)। আমি নিজক ভাল পাবই লাগিব। নিজৰ জাতিটোৰ বিষয়ে, নিজৰ সংস্কৃতিটোৰ বিষয়ে শিক্ষাটো থকা দৰকাৰ বুলি মই ভাবো। নিজৰ শিপাডাল যেতিয়া আমি চিনি পাম তেতিয়াহে আমাৰ জাতিটোৰ উত্তৰণ হ’ব বুলি মই ভাবো।

**■ প্ৰত্যেক অভিনেত্ৰীৰ এক নিজস্ব অভিনয় ষ্টাইল থাকে। আপোনাৰ অভিনয়ত আপুনি কোনটো ষ্টাইল লক্ষ্য কৰে ?**

**সীমা বৰুৱা ঃ** মই আচলতে সেইটো কব নোৱাৰিম (অলপ হাঁহি)। ষ্টাইল বুলিনো কি কম ? য’ত যিধৰণৰ চৰিত্ৰ পাওঁ তেনেকৈ কৰিবলৈ চেষ্টা কৰো। আগতে নাটক কৰোতে আমাক শিকাইছিল যে এটা চৰিত্ৰ কৰিবলৈ হ’লে Obserb কৰিব লাগে। পৰিচালকে যেনেকৈ কয় যে এই চৰিত্ৰটো তুমি Obserb কৰিবা তেতিয়া সেই ধৰণৰ চৰিত্ৰ Obserb কৰি Particular যিটো চৰিত্ৰ দিয়া হয় সেইটো ফুটাই তুলিবলৈ চেষ্টা কৰো।

**■ অভিনেত্ৰী নোহোৱা হ’লে কোনটো পেছা বৃত্তি হিচাপে ল’লেহেঁতেন ?**

**সীমা বৰুৱা ঃ** অভিনেত্ৰী নোহোৱা হ’লে মই হয়তো সংগীত শিল্পী হিচাপে কাম কৰিলোহেঁতেন চাগৈ।

**■ আপোনাৰ প্ৰিয় খাদ্য কি ?**

**সীমা বৰুৱা ঃ** প্ৰিয় খাদ্য বুলি ক’লে মই আমাৰ ঘৰুৱা আলু পিটিকা, দালি ভাত খাই ভাল পাওঁ (হাঁহি)।

**■ আপোনাৰ প্ৰিয় ৰং ?**

**সীমা বৰুৱা ঃ** মোৰ প্ৰিয় ৰং সেউজীয়া।

**■ আপোনাৰ হিন্দী ছবি জগতৰ প্ৰিয় অভিনেতা-অভিনেত্ৰী কোন আৰু অসমীয়া ছবি জগতৰ প্ৰিয় অভিনেতা-অভিনেত্ৰী কোন ?**

■ হিন্দী ছবি জগতৰ প্ৰিয় অভিনেতা অমিতাভ বচ্চন, শ্বাহৰুখ খান, পংকজ ত্ৰিপাঠী, নাছিৰুদ্দিন শ্বাহ আৰু প্ৰিয় অভিনেত্ৰী বুলি ক’লে মাধুৰী দীক্ষিত, দীপিকা পাডুকন। অসমীয়া ছবি জগতৰ প্ৰিয় অভিনেতা যতীন দা, ৰবি দা, উৎপল দা আৰু প্ৰিয় অভিনেত্ৰী বৰষা বা।

**■ আপোনাৰস্বামীতথাপাৰিবাৰিকজীৱনৰবিষয়ে অলপ কওঁকচোন। আপোনাৰ স্বামীয়ে আপোনাৰ অভিনয় জীৱনত কেনেকৈ উৎসাহ যোগায় ?**

**সীমা বৰুৱা ঃ** মোৰ স্বামীৰ নাম শ্ৰী সঞ্জীৱ বুঢ়াগোহাঁই। তেওঁ এটা সময়ত জাগীৰোড কলেজৰ অসমীয়া বিভাগৰ প্ৰবক্তা আছিল আৰু বৰ্তমান গুৱাহাটী বিশ্ববিদ্যালয়ত



অভিনয় বিভাগটো চোৱাচিতা কৰি আছে।

**■ ছবি বা ধাৰাবাহিকত অভিনয় কৰা সংলাপৰ ভিতৰত আপোনাৰ প্ৰিয় সংলাপ কোনটো ?**

**সীমা বৰুৱা ঃ** তেনেকৈয়েতো মোৰ বিশেষ নাই। ‘ভাইমন দা’ ছবিখনত ৰিক্সাৱালাৰ দৃশ্যটোত মোৰ প্ৰকৃত স্বামীয়ে ৰিক্সাৱালাৰ চৰিত্ৰত অভিনয় কৰিছে। আমি দুয়ো স্বামী-স্ত্ৰীয়ে ছবিখনতো স্বামী-স্ত্ৰীৰ চৰিত্ৰতে অভিনয় কৰিছোঁ। সেই দৃশ্যটোত মই অভিনয় কৰোঁতে কোৱা এটা সংলাপ যে ‘লোকৰ ঘৰ সংসাৰ চলাবলৈ গৈ নিজৰ ঘৰ সংসাৰ কেনেকৈ চলিছে গম পোৱা নাই।’ এই সংলাপটো মোৰ প্ৰিয় সংলাপ।

**■ আপোনাৰ আদৰ্শ ব্যক্তি ?**

**সীমা বৰুৱা ঃ** মোৰ আদৰ্শ ব্যক্তি কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা।

**■ জীৱন সম্পৰ্কে আপোনাৰ অভিমত ?**

**সীমা বৰুৱা ঃ** জীৱনো কি জীৱনটো দুদিনীয়া। গতিকে যিকেইদিন জীয়াই থাকোঁ হাঁহি-স্ফূৰ্তিৰে জীয়াই থাকিব বিচাৰোঁ। যি কাম কৰিব লাগে সেয়া সততাৰে কৰিব লাগে।

*সাক্ষাৎকাৰ গ্ৰহণ কৰোতা*

**কুলদীপ শইকীয়া**
ৰত্নপুৰ, পলিৰোড
(কেন্দ্ৰীয় বিদ্যালয়ৰ সন্মুখত) নগাঁও
**ম’বাইল ঃ** ৮৪৭৪০-৯৩১৬৮

# ইংৰাজী নৱবৰ্ষ মানেই যেন বনভোজৰ আগমণ

**■ নমিতা দাস** , শুৱালকুছি

এটি বছৰৰ অন্ত পেলাই নতুন এটি বছৰৰ আগমণে উৎসাহ আনন্দ যোগায়। এৰি অহা দিনবোৰৰ ভাল-বেয়া সময়বোৰে হৃদয়ত সাঁচি ৰখা আধৰুৱা কামবোৰ সম্পূৰ্ণ কৰাৰ যেন শক্তিশালী মানসিকতাৰে নতুন দিনবোৰক আদৰাৰ প্ৰস্তুতি চলে। হৃদয়ৰ সপোনবোৰ বাস্তৱিতাৰে পৰিপূৰ্ণ কৰাৰ সংকল্প লৈ আগুৱাই যোৱাৰ মানসিকতাৰে নতুনকৈ অহা বছৰটোক আদৰাৰ প্ৰস্তুতি। পোৱা-নোপোৱা আশা ভৰষাবোৰ বুকুত সামৰি লৈ অনাগত দিনবোৰত সুখী হোৱাৰ কামনাৰে এটি নতুন বছৰ আদৰাৰ হেঁপাহ।

ইংৰাজী নৱবৰ্ষ মানেই যেন বনভোজৰ আগমণ। বছৰজোৰা পৰিশ্ৰমৰ অন্তত দেহ মনলৈ প্ৰশান্তি বিচাৰি লগে ভাগে প্ৰকৃতিৰ মাজত এসাজ খোৱাটো এতিয়া উৎসৱলৈ পৰিবৰ্তন হৈছে। ইংৰাজীৰ শেষৰ মাহ ডিচেম্বৰ মাহৰ পৰাই পিকনিক আৰম্ভ হৈ ফেব্ৰুৱাৰী পায়গৈ। প্ৰকৃতিৰ সেউজ পৰিৱেশৰ মাজত কৰা এই বনভোজ কেতিয়াৰ পৰা আৰম্ভ হৈছিল সঠিককৈ ক’ব পৰা নাযায় কিন্তু মানৱ সমাজৰ আৰম্ভণিৰ পৰা প্ৰকৃতিৰ মাজত থাকি খোৱা লোৱা কৰা পৰম্পৰা থকা বুলি ইতিহাসত পঢ়িবলৈ পাওঁ। আধুনিক যুগৰ বনভোজ বা পিকনিক হৈছে শিক্ষা প্ৰতিষ্ঠান আৰু সংগঠিত প্ৰতিষ্ঠানৰ ৰূপত পোনতে স্কুল-কলেজৰ পৰা যোৱা শিক্ষামূলক ভ্ৰমণ বা নামঘৰ আদি দৰ্শন কৰিবলৈ ভক্তিমুলক ভ্ৰমণৰ আদিৰ পৰা আৰম্ভ হোৱা বুলি অনুমান কৰা হয় যদিও অসমীয়া সমাজ জীৱনৰ আঘোণ মাহটোৰ সময়খিনি ইংৰাজী বছৰৰ শেষৰ মাহটোৰ পৰাই ন-খোৱা আৰু মহোহো উৎসৱ পালন কৰাৰ পিছত লগে ভাগে মিলি এসাঁজ খোৱাৰ পৰম্পৰা যেতিয়াৰ পৰা লুপ্ত হ’বলৈ ধৰিলে তেতিয়াৰ পৰাই লাহে লাহে পিকনিক বা বনভোজৰ প্ৰয়োভৰ বৃদ্ধি পায় আহিলে। পিকনিক মূলতে পাশ্চাত্য সংস্কৃতিৰ পৰা অহা উৎসৱ। দিনে দিনে ইয়াৰ প্ৰসাৰ আৰু প্ৰচাৰ বৃদ্ধি হ’বলৈ ধৰে।

ইংৰাজীৰ নৱবৰ্ষৰক আদৰিবলৈ সকলোৱে যেন অতি আগ্ৰহেৰে বৈ থাকোঁ। এটি বছৰ শেষ হ’ল আকৌ এটি বছৰৰ আৰম্ভণি হ’ব। যোৱাটো বছৰৰ যিবোৰ কাম আধৰুৱা হৈ ৰ’ল সকলোৱে এইবছৰত শেষ কৰাৰ পৰিকল্পনা। কাৰোবাৰ বাবে যোৱা বছৰটো সুখৰ আৰু কাৰোবাৰ বাবে বৰ দুখৰ থাকিলেও নতুন বছৰটোত শীতৰ আমেজ লৈ পৰিয়ালৰ লগতে বন্ধু-বান্ধৱী, লগ সমনীয়া লগে ভাগে মিলি এসাঁজ খোৱাটো পৰম্পৰা হৈ পৰিল। এই সময়খিনি অতি আনন্দৰ সময় হাঁহি ফূৰ্তি নাচ গানেৰে এই সময়খিনি উপভোগ কৰা হয় কণ কণ শিশুসকলেও বহু দিনৰ মূৰত মুকলিমুৰীয়াকৈ খেলিব পাই প্ৰফুল্লিত হয়। এইবোৰ যিয়েই নহওক দিনবোৰ গৈ থাকিব। কিন্তু নতুন বছৰটো আদৰাৰ নামত যেন আমি আমাৰ কৰ্তব্যবোৰ পাহৰি নাযাওঁ তাৰ প্ৰতি গুৰুত্ব দিয়া প্ৰয়োজন। প্ৰকৃতি বিনষ্ট নকৰাকৈ পিকনিকৰ পেলনীয়া সামগ্ৰিখিনিৰ প্ৰতিও লক্ষ্য কৰি সেইবোৰ যথাস্থানত পেলাই ঠাইখিনি পৰিস্কাৰ কৰি অহাটো অতি দৰকাৰী কথা।

পৰিৱেশ হৈছে আমাৰ চাৰিওফালৰ বায়ু পানী বতাহ আৰু গছ গছনিৰে গঢ়া সুন্দৰ সম্পৰ্কবোৰ। বৰ্তমান সময়ত পৰিৱেশৰ ওপৰত গুৰুত্ব আৰোপ কৰি সন্তানসকলকো আমি শুদ্ধ জ্ঞান দি লালন পালন কৰা দেখা যায়। এখন ঘৰত সুস্থিৰ শুদ্ধ আৰু নিয়মানুৱৰ্তিতা বজাই ৰাখি এটি বিশুদ্ধ পৰিৱেশ সৃষ্টি কৰি যিদৰে ল’ব পাৰি। সেইদৰে সামাজিকভাৱেও কিছুমান শুদ্ধবাৰ্তা বৰণেৰে সুন্দৰ পৰিৱেশ সৃষ্টি কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। গতিকে নতুন বছৰটো শীতৰ ইমেজ লৈ প্ৰকৃতিৰ মাজত এসাজ খাওঁতে প্ৰকৃতিৰ ওপৰত যেন একো বেয়া প্ৰভাৱ নপৰে তাৰ প্ৰতি লক্ষ্য কৰাটো অতি প্ৰয়োজনীয়।

বৰ্তমান সময়ত বছৰটো আদৰাৰ নামত যুৱ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত উশৃঙ্খল পৰিৱেশ এটাই বিৰাজ কৰা পৰিলক্ষিত হৈছে। যুৱ ডেকা ল’ৰা-ছোৱালীয়ে মাদক দ্ৰব্য সেৱন কৰাৰ বাবে হায় কাজিয়াকে ধৰি দুৰ্ঘটনাত পতিত হৈ মৃত্যুমুখত পৰাও পৰিলক্ষিত হয় গতিকে সেই অপশক্তিসমূহৰ প্ৰতিও চকু ৰখাটো বৰ্তমান সমাজ ব্যৱস্থাত প্ৰয়োজনীয় ভূমিকা গ্ৰহণ কৰে।

**ম’বাইল ঃ** ৯১০১৮-৩৪৯৪৫



# পিতৃ চৈয়দ ছাদুল্লাৰ স্মৰণত

**চুভানা ছাদুল্লা**
স্বৰ্গীয় চৈয়দ ছাদুল্লাৰ কন্যা



নিয়তি যে ইমান নিৰ্দয়, কেতিয়াও অনুভৱ হোৱা নাছিল।
শৈশৱৰ এটি এটি মুহূৰ্ত চকুৰ পলকতে কেতিয়া বাগৰি পাৰ হৈ গ'ল-ভাবিবই নোৱাৰিলোঁ।
২০২৫-ত আহি যেন সময়েই থমকি গ'ল, জীৱনত কেতিয়াও ঘূৰি নহা বাটেৰে অমূল্য অধ্যায়-
দেউতাৰ লগতেই চিৰদিন যেন বন্ধ হৈ গ'ল।
সেই নীৰৱ শূন্যতাৰ স্মৰণতেই এই কবিতা- "আৰুতো নাই"।

আৰুতো নাই
পুৱাৰ সেই মধুৰ ক্ষণত,
হাতত গীটাৰ লৈ সুৰীয়া কণ্ঠত,
টোপনিৰ পৰা আমাক জগোৱা,
"সুপ্ৰভাত" বুলি অন্তৰ চুই যোৱা-
সেই ভাল লগা সময়ছোৱা,
আৰুতো নাই।

পঢ়াশালিলৈ স্কুটাৰত ওলাই যোৱা,
পিঠিৰ ফালে জঁপিয়াই সাৱটি লওঁ,
বিজয় চুপাৰত ঘূৰি ফুৰা,
হাঁহি-ধেমালিৰ সেই ক্ষণজোৰা,
আৰুতো নাই।

সন্ধ্যা পাঠ্যপুথি লৈ পঢ়া সময়ত,
নোৱাৰা যেন গম পোৱাত,
মাৰ পাছফালৰ পৰা শিকাই দি,
পাৰিলোঁ বুলি নাচি উঠি,
সাৱটি লোৱা সেই মুহূৰ্তটি,
আৰুতো ঘূৰি নাহে।

ডাঙৰ হৈ গ'লো দেউতা,
এতিয়াও কিয় ইমান চিন্তা?
"আহিম ঘূৰি, সময়টো চোৱা",
"নকৰোঁ পলম" বুলি ফোনত কোৱা,
তথাপিও বহি বহি কৰা সেই চিন্তা,
আৰুতো নাই।

জানো তুমি চাই আছা,
এতিয়াও চিন্তা কৰি আছা,
ময়ো বান্ধি ৰাখিছোঁ সেই আশা,
নৱবৰ্ষৰ প্ৰথম শুভকামনা,
পুৱাই তোমাৰ কণ্ঠৰে শুনাৰ
সেই নিঃশব্দ হেঁপাহ,
আৰুতো নাই।
**ম'বাইল: ৯৭৩১২-১৭০৪২**

# ভাললগা আবেলিটো

**ৰশ্মি ৰেখা দুৱৰা,** ডিব্ৰুগড়

আবেলিৰ সময়কণ বৰ প্ৰিয়,
অস্তমিত সুৰুযৰ সোণালী কিৰণ
জাকপাতি বাহলৈ উৰা চৰাইজাক
পোক-পৰুৱাৰ চিৰচিৰণিবোৰ
আৰু যে কত কি?
অশান্ত মনেও প্ৰতি আবেলিত শান্তি আঁজুৰে।
মন যায় অলপ সময়ৰ বাবে
ভাললগা আবেলিটো ধৰি ৰাখিবলৈ,
নোৱাৰিনে বাৰু?
কান্ধত জোলোঙা লৈ নদীৰ পাৰৰ
শিল বুটলা মুহূৰ্তবোৰ
হাবাথুৰি খালেও দৌৰি যায় নতুনত্ব বিচাৰি।
কেতিয়াবা মই তোমালৈ অপেক্ষা কৰোঁ
কেতিয়াবা তুমি মোলৈ
সময়ে কালৈকো নকৰে অপেক্ষা
শক্তিশালী সময়ৰ তুলনাত নগণ্য মানৱ
সময়ৰ সোঁতত আবেলিটো ঘৰমুৱা হ'ল
প্ৰকৃতিৰ বুকুলৈ সন্ধ্যা নামিল।
কুলু-কুলু শব্দৰে নৈ বৈ যায়
টিক্-টিক্ কৰি সময়ো আগুৱাই
আবেলিৰ খোজত খোজ মিলাই
ঢাকি ধৰিল ধৰণী।
ভাললগা আবেলিটো মোৰ বাবে নাছিল
আছিল কোনোবা ক্ষণজন্মা জনৰ বাবে।

# নিস্তব্ধ এটি নিশাই বিনালে

**ছেলিমা বেগম** , নগাঁও

নীলা আকাশখন শুই আছে,
চাৰিওফালে নিস্তব্ধ নীৰৱতা
মনৰ মাজত বাজি উঠিছে।
সেই হেৰাই যোৱা বেদনা
উফ্ঃ গল্পী মাজ নিশা আৰু তুমি
তোমাৰ স্মৃতি বোৰ বৰ আমনি কৰে।
কুঁৱলীৰ সেউতী ফালি তোমাৰ সমাধিস্থলীত উপস্থিত উফ্ঃ গল্পী
কোনো মতে বুজাব নোৱাৰি নিজকে
কেনেকৈ কি হৈছিল সেই দিনা।
কোনে কাঢ়ি নিলে তোমাৰ প্ৰাণ বায়ু?
জানা গল্পী মাজ নিশাৰ চিঞৰ
কোনেও শুনা নাই আজি
তুমি কাষত নাই তথাপিও
ৰাতিৰ মধুৰ জোনাক পোহৰ বিলাই আছে।
সেই ৰঙা নীলা বাতি জ্বলি আছে।
কিন্তু মোৰ অন্তৰখন জ্বলি-পুৰি ছাই হৈছে
নিষ্ঠুৰ নিয়তি তোমাক উঠাই লৈ গৈছে
মাজ নিশা তোমাৰ আত্মাই কথা কয়
সেই বাটৰ কাষত থকা খালি চকীখনত বহি
আৰু মই আৱেগিক হৈ চাই থাকোঁ নিস্তব্ধ হৈ
উফ্ঃ গল্পী মাজ নিশাৰ চিঞৰ কোনে শুনিব।

# এই মৰম

**মেৰী বৰদলৈ,** নগাঁও

এই মৰম...
তুমি কোৱাচোন মৰম
কোন বাটেদি গ'লে
তোমাৰ হৃদয়ত
মই খোজ
পেলাব পাৰিম
কোৱাচোন মৰম
কিমান ভালপোৱা যাচিলে
তোমাৰ বুকুত
ভালপোৱাৰ হেঁপাহ
গণিব পাৰিম
এই মৰম...
মোৰ বুকুৰ উপত্যকালৈ
আহিবাচোন এদিন
ৰঙা সাজযোৰী
গাতে মেৰিয়াই
উপচাই দিবাহি আহি
উশাহৰ পাপৰিত
ওঁঠত ওঁঠ ৰাখি
হেঁপাহবোৰ ঢালি...।

# শব্দৰ সিপাৰে

**চিমী বৰুৱা,** মৰিগাঁও

মৌনতাৰ বুকুত যেতিয়া শব্দবোৰে ভিৰ কৰে,
মই বিচাৰি ফুৰোঁ এটি চিনাকি ঠিকনা;
য'ত মোৰ অনুভৱবোৰ উশাহ হৈ ৰয়,
আৰু কলমৰ আগেৰে নিগৰে এমুঠি জোনাক।
বগা কাগজৰ এই নিৰ্জন পথাৰত
মই সিঁচি দিওঁ মোৰ তেজৰ চেকুৰা,
কেতিয়াবা যদি সেয়া বিদ্ৰোহৰ অগ্নিকুণ্ড
কেতিয়াবা আকৌ নীৰৱে বৈ যোৱা জানজুৰিৰ সুৰ।
চপা আখৰৰ ভাঁজত শুই পৰিব এই হেঁপাহবোৰ,
কাৰোবাৰ আঙুলিৰ পৰশত হয়তো জীয়াই উঠিব;
তুমি পঢ়ি চালে বিচাৰি পাবা-
কিমান গভীৰত আছিল মোৰ কথাবোৰ,
আৰু কিমান বিষাদত লুকাই আছিল মোৰ হাঁহিবোৰ।
বুটলি ল'বা পাৰিলে মোৰ আধৰুৱা স্বপ্নবোৰ,
যিবোৰ আখৰ হৈ ৰ'ব এই কিতাপৰ ভাঁজত;
মই নাথাকিলেও মোৰ শব্দবোৰ থাকিব,
তোমাৰ একাকীত্বৰ নিৰ্জন কোঠাত এটি চিনাকি সুৰ হৈ।
**ম'বাইল: ৭০৯৯৭-৪৭৬৪৩**

# কেনভাছ

**মুন শৰ্মা,** লখিমপুৰ

নিৰিবিলি ৰাতিৰ উন্মুক্ত আকাশত
দেখা পাওঁ, অসংখ্য ৰং তোলা, এখনি ছবি।
চিকমিক তৰাৰ মাজত মাত্ৰ তোমাৰ যেন এমুঠি কলাজ
বিচাৰি যাওঁ মাথোঁ তোমাৰ,
তুমি দিব খোজা আবতৰীয়া সেই মৰম,
নীৰৱতাৰ বেষ্টত আবদ্ধ নিসংগ মোৰ নিশাবোৰত।
মাথোঁ হাবিয়াস, তোমাৰ কাষতে কিজানি পাওঁ,
অনাবিল আনন্দ আৰু অজস্ৰ সুখ,
দুখৰ শেলাই পৰা মোৰ মলিন ফপৰা হিয়াৰ বাবে।
আপোন পাহৰা হৈ ৰওঁ মই, তুমি তুমি লগা প্ৰতিটো ক্ষণত।
জাৰজ পুৱাত সৰা নিয়ৰৰ কণিকা মুকুতাৰ,
দিনান্তৰৰ এটি সেউজীয়া সপোন,
হৃদয় মণিকূটৰ এপাহ গোলাপ,
যেন, দাপোনৰ এখনি ধুনীয়া ছবিৰ কলাজ,
তুমি তুমি লগা এটি উৰণীয়া মৌ,
মৰহা ফুল যেন কলিজাখনত,
প্ৰাণ পাই তোমাৰ আগমণত।
দিশে দিশে প্ৰতি দিশে যেন তুমি,
সদৌটি আবদ্ধ প্ৰতি নিশাৰ প্ৰতি পলৰ,
এখনি কেনভাছত তৰা ভৰা ৰজনী গগণত।
**ম'বাইল: ৬০০০১-৭০১৬৩**

# আশাৰ বীজ

**সংগীতা ডেকা**
ৰঙিয়া

চকুহালত গজি উঠা
শতিকাজোৰা ৰাতিপুৱাৰ সপোন
প্ৰায়ে অনুভৱ কৰে
মোৰ সেমেকা শব্দবোৰে....
পোহৰ উপহাৰ দিয়াৰ আশা
নথকা নহয়
আছেই...
চকুৰ পৰিধি পাৰহৈ
জন্মৰ সিপাৰে
কেনেকুৱা প্ৰতিচ্ছবিবোৰ আছিলে
চকু মুদি দেখা পোৱা
ধোঁৱাৰ পৃথিবীখনেও
সহায় কৰাত ব্যৰ্থ।
সেই প্ৰতিচ্ছবিবোৰ পঢ়িব পৰা হ'লে।
হয়তো তাৰেই গৰ্ভত
যোগ-বিয়োগৰ অংকবোৰ মিলি আছে
তথাপি, চকুহালৰ প্ৰশান্তি
চকুৰে নেদেখা জলন্ত শিখা সদৃশ
এক কামনা।
**ম'বাইল: ৯১০১০-১১৮৬৫**

# বিষাদগ্ৰস্ত পথিক

**হীৰক জ্যোতি দাস**

আগৰ সেই হাঁহিটো চোন
নোহোৱা হ'ল
কিয় জানো, প্ৰাণ খুলি
হাঁহিব নোৱাৰা হ'লোঁ।
নোৱাৰা হ'লোঁ মানে,
হাঁহিবলৈ পাহৰি যোৱাৰ দৰে হ'ল।
তোমাৰ কপালৰ ৰঙা বেলিৰ উত্তাপে
মোৰ হাঁহিখিনি পুৰি ছাই কৰি পেলালে।
সঁচাই কৈছোঁ অ',
আগৰ সেই হাঁহিটো
ক'ত জানো, হেৰুৱাই পেলালোঁ?
কিন্তু মই জানো
তুমি এতিয়া নতুনকৈ হাঁহিব শিকিছা।
কিয়নো তুমি এতিয়া মৰমৰ উমেৰে উমলিব পৰাকৈ
এখন বহল বুকু পাইছা।
হয়তো সেই বুকুতে তুমি
পাইছা সুখৰ অজস্ৰ মুকুতা।
বুকুৰ শূন্যতাবোৰ
সহজে পূৰণ কৰিব নোৱাৰোঁ অ'।
এতিয়া ৰঙা মদিৰাৰ টোপালেৰে ধুই পেলাবলৈ
অভ্যাস কৰিছোঁ হৃদয়ৰ পবিত্ৰ মৰমবোৰ
যি এতিয়া প্ৰবঞ্চনাৰ আঁচোৰত বিষাক্ত হৈ পৰিছে।
চিগাৰেটৰ ধোঁৱাৰ কুণ্ডলী পকাই পকাই
উৰি যাব দিছোঁ বিষাক্ত মৰমবোৰ।
নিশাবোৰ এতিয়া উজাগৰে ৰয় উপন্যাসৰ বুকুত;
উপন্যাসৰ বুকুতে খোদিত কৰিছোঁ মোৰ নতুন ঠিকনা।
কবিতাৰ ভাঁজত এতিয়া মৰমবোৰ সাঁচিব শিকিছোঁ।
আনক যাচিবলৈ এতিয়া ভয়
জানোচা, এলাগী হৈ পৰে।
নিশাবোৰক আশ্ৰয় দিছোঁ দিন প্ৰতিদিন,
লিপিবদ্ধ কৰা কবিতাৰ আখৰৰ ভাজত।
শব্দৰ দলিচাখন এতিয়া বুকুতে মেৰিয়াই লৈছোঁ।



# অসীমিত ক্ষোভ

**বিউটী হাজৰিকা**
কলিয়াবৰ

'লাষ্ট চাপাৰৰ' প্ৰেমত পৰি শব্দবোৰ
সৰিয়হ ফুল হৈ চকুত লগাকৈ ফুলিছিল,
মাক্স-এংগেলছৰ সাম্যবাদী চিন্তাত
সমাজখন নিজৰ হৈ পৰিছিল,
সৰ্বহাৰৰ প্ৰেমত আন্তৰিকতাৰ
শতদল ফুলিছিল।
সংগ্ৰাম আৰু বিপ্লৱীৰ বুৰঞ্জী পঢ়ি
সাম্প্ৰতিক সময় তাৰেই ফচল যেনে
অনুভৱ হৈছিল,
শিপা বিচাৰি উভতি নহা।
ছদ্মবেশী এচাম ব্যক্তিৰ মুখামুখি হোৱাত
কলিকতাত থাকোঁতেই ভাষা উন্নতিৰ চেষ্টা,
অব্যাহত ৰখা অসমীয়া ছাত্ৰসকললৈ
মনত পৰিছিল।
জাগিছিল সত্বা,
তথাপিও মুকবধিৰ
কিজানি বা কৈ দিলে
নুবুজে ছদ্মবেশীহঁতে মনৰ বেথা।
গানবোৰ বুদ্ধিমত্তাৰ দৰ্শন হ'ল
জনগণৰ গানে মঞ্চ নোপোৱা হ'ল,
সকলো বাহ্যিক জাতীয়তাবাদী হ'ল
কোঠাৰ ভিতৰত সকলো কাৰোবাৰ ভক্ত,
মুঠতে সেয়াও মিছা।
মাটিৰ প্ৰেমিক নোহোৱাসকলৰ বাবে
কবিতা কেৱল কিতাপ হ'ল,
বিপ্লৱী কবিতাবোৰ যেন এপাত শেল।
যিয়ে বিন্ধে আৰু বিন্ধে
বৰফ পৰা কবিতাৰ বুকুৰে বুকুৰে।
**ম'বাইল: ৯৮৬৪৪-৭৮৪৯০**

*প্ৰথম পৃষ্ঠাৰ পৰা*

# নতুন ইতিহাস সৃষ্টিৰে 'বটদ্ৰৱা প্ৰকল্প' মুকলি গৃহমন্ত্ৰী অমিত

বটদ্ৰৱা প্ৰকল্প ৰাইজৰ বাবে মুকলি কৰি পিছত অমিত শ্বাহে বিশেষ বাহনেৰে প্ৰকল্পৰ চৌদিশ পৰিভ্ৰমণ কৰে। এই সময়ছোৱাত নৱনিৰ্মিত বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্পত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সাংস্কৃতিক দলে সত্ৰীয়া নৃত্য, ভোৰতাল নৃত্য, ভাওনা, বৰঢোল, মনিপুৰী পুং চলন, গায়ন বায়ন, দিহানাম, ঠিয়নাম আদি পৰিবেশন কৰি গুৰুভূমিক বৈকুণ্ঠলৈ পৰ্যবসিত কৰে। পাছত গৃহমন্ত্ৰী অমিত শ্বাহে নৱনিৰ্মিত বিশ্বৰ উচ্চ গুৰু আসন উচ্চ খলপৰ পৰা আবিৰ্ভাৱ ক্ষেত্ৰৰ চাৰিওফালে নয়ন ভৰি চোৱাৰ অন্তত নাটঘৰলৈ যায় আৰু তাত আইসকলে পৰিবেশন কৰা 'বৰদোৱা বটবৃক্ষ পাতে হালে জালে। উত্তৰে আকাশী গংগা শংকৰে নমালে' শীৰ্ষক দিহানাম শ্ৰৱন কৰে। পৰৱৰ্তী সময়ত গৃহমন্ত্ৰী গৰাকীয়ে যাঠি হাজাৰ ভকত-বৈষ্ণৱৰ উপস্থিতিত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰে। সভাত আদৰণী ভাষণ আগবঢ়ায় বিধায়ক ৰূপক শৰ্মাই 'মুখ্যমন্ত্ৰী মহোদয় আৰু চৰকাৰখনে অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ কৃষ্টি সংস্কৃতি আৰু ধৰ্ম ৰক্ষা তথা সত্ৰসমূহৰ সুৰক্ষা আৰু উন্নয়নৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহ অব্যাহত থাকিব আৰু তাৰ লগে লগে অসমীয়া জাতি সুৰক্ষিত হৈ উঠিব' বুলি মন্তব্য কৰে। লগে লগে বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সভাপতি অম্লান জ্যোতি দেৱ গোস্বামীয়ে ধন্যবাদসূচক ভাষণ প্ৰদান কৰি 'কেৱল বৰদোৱাৰ বাবেই নহয় বৰঞ্চ সমগ্ৰ ৰাজ্যখনৰ বাবেই গৌৰৱৰ বিষয়। আজি পৰ্যন্ত কোনো চৰকাৰে বটদ্ৰৱাৰ প্ৰতি বিশেষ গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হোৱা নাছিল, কিন্তু কিছু পৃথক চিন্তাৰে বিজেপি নেতৃত্বাধীন চৰকাৰখনে পূৰ্বৰ বেদখলকৃত ভূমি উদ্ধাৰ কৰি এই বিশাল প্ৰকল্পটি স্থাপনৰ জৰিয়তে বৰদোৱাক সমগ্ৰ বিশ্ব প্ৰেক্ষাপটত উজ্বল কৰি অসমীয়া কৃষ্টি সংস্কৃতিক আৰু এখোজ আগুৱাই যোৱাৰ পথ প্ৰশস্ত কৰি তুলিলে' বুলি প্ৰকাশ কৰে। সভাত ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোনোৱালে 'গুৰুজনে আমাক নৱবৈষ্ণৱ আন্দোলনৰ জৰিয়তে সকলোখিনি দেখুৱাই গৈছে। শ্ৰীমন্ত শঙ্কৰদেৱ আবিৰ্ভাৱ ক্ষেত্ৰৰ পৰা গুৰুজনাৰ প্ৰতি মই প্ৰণিপাত জনাইছো। কংগ্ৰেছৰ শাসনকালত এই পূন্যভূমিত মানুহ আতংকিত অৱস্থাত আছিল। এইস্থানত বাংলাদেশীক সুৰক্ষা দিছিল ভোটবেংক সুৰক্ষাৰ স্বাৰ্থত বুলি প্ৰকাশ কৰাৰ লগতে সৰ্বানন্দ সোনোৱালে 'সুন্দৰভাৱে বটদ্ৰৱা প্ৰকল্পক বাস্তৱায়িত কৰাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জনায়। পাছত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষা গায় ভাষণ আৰম্ভ কৰি কয় যে--আজিৰ দিনটো অসমীয়া জাতীয় জীৱনৰ বাবে অতিকে পৱিত্ৰ দিন। এই মাটি অচিনাকী মানুহে দখল কৰি মিনি বাংলাদেশ বনাইছিল। মহাপুৰুষ শঙ্কৰ-মাধৱৰ জীৱন দৰ্শনৰ আলোচনা হ'ব এই আবিৰ্ভাৱ ক্ষেত্ৰত। এই আৰ্বিভাৱক্ষেত্ৰ দৰ্শনৰ বাবে কোনো মাচুল নালাগে। আমাৰ গুৰু শঙ্কৰ-মাধৱ আছিল। আজান ফকীৰৰ লগত শঙ্কৰ-মাধৱৰ তুলনা নহয়। আজান-শংকৰ নহয়, শংকৰ-মাধৱ হ'ব লাগে। ইফালে চৰকাৰৰ উন্নয়নৰ খতিয়ান ৰখি, বিকাশৰ গংগা নামি আহিছে। জাতিৰ পৰিচয় অবিহনে বিকাশ নহয়। বিকাশৰ লগে লগে জাতিৰ পৰিচয় থাকিব লাগিব। এতিয়াও কৰিবলৈ বহুত আছে। যেতিয়ালৈকে দেহত শক্তি থাকিব তেতিয়ালেকে অচিনাকি লোকক শান্তিত থাকিব নিদিওঁ। মহাপুৰুষৰ আৰ্বিভাৱক্ষেত্ৰ অসমীয়া জাতিৰ প্ৰতীক। শঙ্কৰ-মাধৱৰ আশীষেৰে অসমীয়া মহাজাতি বিশ্বত মহাশক্তিশালী হৈ থাকিব বুলি প্ৰকাশ কৰে। ইফালে, গৃহমন্ত্ৰী অমিত শ্বাহে নিজৰ ভাষণত 'শঙ্কৰ-মাধৱক মোৰ প্ৰণাম। এই পৱিত্ৰ স্থানক বৃহৎ অসমীয়া সভ্যতাৰ পৰিচয়ৰ প্ৰতীক বুলি অভিহিত কৰি গৃহমন্ত্ৰী অমিত শ্বাহে মোৰ সৌভাগ্য মহাপুৰুষ শংকৰ জন্মহোৱা স্থানলৈ মই দুবাৰকৈ আহিলো। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰ্বিভাৱ ক্ষেত্ৰৰ কামৰ আধাৰশিলা মই কৰিছিলো আৰু আজি এই প্ৰকল্পৰ উদ্বোধন মই বুলি কৈ ধন্য ধন্য কলিকাল! ধন্য নৰ তনু ভাল! ধন্য ধন্য ভাৰত বৰিষে বুলি শঙ্খৰদেৱক স্মৰণ কৰি, ভাৰত ভূমিত জন্মগ্ৰহণ কৰাটো সৌভাগ্যৰ কথা। আনহাতে ভাৰত ৰত্ন গোপীনাথ বৰদলৈ নথকা হ'লে অসম ভাৰতৰ অন্তৰ্ভুক্ত হৈ নাথাকিলে হয়। গোপীনাথ বৰদলৈয়ে অসমক ভাৰতৰ অন্তৰ্ভুক্ত কৰি ৰাখিবলৈ জৱাহৰলাল নেহৰুক বাধ্য কৰাইছিল। অসমেই নহয় সমগ্ৰ দেশৰ পৰা বেদখলকাৰীক বিচাৰি বিচাৰি উচ্ছেদ কৰাটো ভাৰতীয় জনতা পাৰ্টিৰ লক্ষ্য। বুলি মন্তব্য কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ। প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু বৰ্তমানৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ১০ বছৰীয়া কাৰ্যকাল অসমৰ বাবে এক সোণালী সময়। মহাবীৰ বীৰ লাচিতৰ বীৰ গাঁথা প্ৰধানমন্ত্ৰীয়ে সমগ্ৰ বিশ্বতে প্ৰচাৰৰ দায়িত্ব ল'লে। অসমত নতুন প্ৰজন্মই হাতত বন্দুক লৈ তেজৰ নৈ বোৱাইছিল কিন্তু আজি ভাৰতীয় জনতা পাৰ্টিৰ চৰকাৰৰ দিনত আৰু সেই পৰিৱেশ নাই। বৃন্দাবনী বস্ত্ৰকো প্ৰধানমন্ত্ৰীয়ে প্ৰচাৰৰ ব্যৱস্থা কৰিছে। তেওঁ লগতে 'পূৰ্বে অসমত বন্দুক চলিছিল, এতিয়া শংকৰদেৱৰ নাম চলিব। নৱ-বৈষ্ণৱ ধৰ্মৰ বাবে আজি এটা ডাঙৰ দিন' বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। উল্লেখ্য, মাংগলিক অনুষ্ঠানলৈ অসমৰ বিভিন্ন স্থানৰ পৰা আমন্ত্ৰণ কৰি অনা ১৫০ জন সত্ৰাধিকাৰ আৰু সমাজৰ বিভিন্ন ক্ষেত্ৰৰ কেইবা সহস্ৰাধিক সন্মানীয় ব্যক্তিয়ে আছুতীয়া মঞ্চ আৰু সন্মুখৰ শাৰীত আসন গ্ৰহণ কৰে। অনুষ্ঠানত মন্ত্ৰী কেশৱ মহন্ত, বিমল বৰা, পীযুষ হাজৰিকাকে আদি কৰি কেইবাগৰাকী মন্ত্ৰী, বিধায়ক উপস্থিত থাকে।

# তেজপুৰ মহাবিদ্যালয়ত 'তেজপুৰ কলেজ ডিজিটেল লাইব্ৰেৰীৰ শুভ উদ্বোধন

**চন্দন শৰ্মা, তেজপুৰ ঃ** তেজপুৰ মহাবিদ্যালয়ৰ ইতিহাস হয়তো শুকুৰবাৰৰ দিনটো এটা বিশেষ দিন খোদিত হৈ ৰ'ব, কাৰণ তেজপুৰ মহাবিদ্যালয়ে 'তেজপুৰ কলেজ ডিজিটেল লাইব্ৰেৰী'ৰ তেজপুৰ মহাবিদ্যালয়ৰ ঈশ্বৰ প্ৰসাদ চৌধুৰী সভা গৃহৰ মঞ্চত শুভ উদ্বোধন কৰে। তেজপুৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° মিতালী গোস্বামীয়ে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত কাৰ্যসূচী মৰ্মে প্ৰথমে বন্তি প্ৰজ্বলন কৰে চিকিৎসক ডাঃ প্ৰদীপ বৰুৱাই। বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰে দৰং মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰৱক্তা ড° সতীশ চন্দ্ৰ ভট্টাচাৰ্য্য, তেজপুৰ কলেজ ডিজিটেল লাইব্ৰেৰীৰ উদ্বোধক তেজপুৰ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি মহেন্দ্ৰ নাথ কেওট, বিশিষ্ট ব্যক্তি হিচাপে উপস্থিত থাকে মহাজাতি টুৱেন্টি ফ'ৰ লাইভৰ স্বত্বাধিকাৰ ড° পৰশমণি সিংহ, বিশিষ্ট লিখক ড° ভাৰত চন্দ্ৰ বৰুৱা, ড° প্ৰাণজিৎ হাজৰিকা, ড° প্ৰদীপ চন্দ্ৰ মহন্ত, মীনাক্ষী আগৰৱালা, বকুল ৰয়ৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। তেজপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ কুমাৰ হাজৰিকাই আদৰণি ভাষণ প্ৰসংগত কয় যে - তেজপুৰ কলেজ ডিজিটেল লাইব্ৰেৰীৰ মাধ্যমেৰে অকল তেজপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে নহয় সমাজৰ বাবে আৰু ৰাইজৰ বাবে সেৱা আগবঢ়াবলৈ গৈ আছে । ই- লাইব্ৰেৰীৰ ব্যৱস্থা সাধাৰণতে সকলো শিক্ষানুষ্ঠানতে থাকে কিন্তু অপেন এচাছ ব্যৱস্থা নাথাকে । আমি আমাৰ শিক্ষানুষ্ঠানৰ ই- লাইব্ৰেৰীক ডিজিটেল লাইব্ৰেৰীলৈ পৰ্য্যবসিত কৰিছোঁ, যাতে ইয়াৰ দ্বাৰা আমি সমাজলৈ বিশেষ সেৱা আগবঢ়াব পাৰিম। যাৰ দ্বাৰা স্থানীয় কিতাপসমূহৰ লগতে মূল্যৱান গ্ৰন্থসমূহ পাঠকসকলৰ বাবে উপলব্ধ হ'ব। অকল উপলব্ধ ই নহয়, স্থানীয় সাহিত্য, লেখকসকলে নিজৰ গ্ৰন্থসমূহ 'তেজপুৰ কলেজ ডিজিটেল লাইব্ৰেৰী'ৰ জৰিয়তে প্ৰকাশ কৰিব পাৰিব বুলিও জানিবলৈ দিয়ে। সকলো লেখকৰে এটা আশা থাকে, এটা সপোন থাকে যাতে তেখেতৰ কিতাপখন ছপা আখৰেৰে ভাল প্ৰকাশকৰ দ্বাৰা প্ৰকাশ পায়। সময়ৰ পৰিৱৰ্তনৰ লগে লগে নতুন প্ৰজন্মৰ লেখক-লেখিকাৰ সকলৰ আশা হ'ল যাতে তেওঁলোকৰ কিতাপ " Kindle Public Domain (KPD) Amazon বা Google e-Book প্ৰকাশ পায় আৰু সমগ্ৰ বিশ্বতে উপলব্ধ হয়। বৰ্তমান যুগ হৈছে তথ্য প্ৰযুক্তিৰ যুগ ( This is the age of information technology) তথ্য-প্ৰযুক্তি অভূতপূৰ্ব উন্নয়ন আৰু সমাজ ব্যৱস্থা পৰিৱৰ্তনৰ বাবে সকলো তথ্য ইন্টাৰনেটত উপলব্ধ কৰাতো অতিকে জৰুৰী হৈ পৰিছে। উদাহৰণস্বৰূপে আগতে কাৰোবাক তথ্য জনাৰ বাবে এখন কিতাপৰ প্ৰয়োজন হ'লে সেই বিশেষ লেখকজনৰ লগত যোগাযোগ কৰিব লাগে বা নিৰ্দিষ্ট পুথিভঁৰাল সেই কিতাপখন উপলব্ধ। কিন্তু যদি এতিয়া বকুল ৰয়ৰ 'কমতাপুৰী ৰাজবংশী অভিধান'খনৰ প্ৰয়োজন হয়। বকুল ৰয়ৰ ঘৰলৈ যোৱা বা নিৰ্দিষ্ট পুথিভঁৰাললৈ যোৱাৰ প্ৰয়োজন নাই। তেজপুৰ 'কলেজ ডিজিটেল লাইব্ৰেৰী' সেইখন উপলব্ধ। ভাৰত চন্দ্ৰ বৰুৱাদেৱে সংগ্ৰহ কৰা এখন আপুৰুগীয়া 'কীৰ্তন পুথি' (হৰিবিলাস আগৰৱালাৰ বুলি প্ৰমাণিত), এখন হাতী বেচা ৰচিদ, ড° স্বাধীনতা মহন্ত 'জ্যোতিপ্ৰসাদৰ কাব্য-নাটৰ সমীক্ষা', ড° ৰঞ্জন কলিতাৰ অসমৰ লোক-সংস্কৃতিত হুচৰি আৰু দেউচি, ড° প্ৰাণজিৎ হাজৰিকাৰ 'চিন্তাৰ ৰেঙনি', ইত্যাদি প্ৰায় পঞ্চাশৰো অধিক কিতাপ বৰ্তমান আমাৰ এই ডিজিটেল লাইব্ৰেৰীত উপলব্ধ।




# ৩ আৰু ৪ জানুৱাৰীত শংকৰদেৱ চিত্ৰকলা বিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱৰ সামৰণি অনুষ্ঠান

**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ হাতীচোং মৌজাৰ অন্তৰ্গত চমুৱাগাঁৱত ১৯৯৮ চনৰ ৪ জানুৱাৰীত বহুকেইজন সমাজহিতৈষী লোকৰ ঐকান্তিক প্ৰচেষ্টাত গঢ়ি উঠিছিল শংকৰদেৱ চিত্ৰকলা বিদ্যালয়। প্ৰতিষ্ঠা কালৰে পৰা বৃহত্তৰ অঞ্চলটোৰ উঠি অহা শিশু, কিশোৰ-কিশোৰীসকলক চিত্ৰকলাৰ লগতে সংগীত আৰু ধ্ৰুপদী নৃত্যৰ শিক্ষা প্ৰদানৰে শিক্ষাৰ্থীসকলৰ মানসিক আৰু বৌদ্ধিক বিকাশত বিশেষ ভূমিকা পালন কৰি অহা এই শিক্ষানুষ্ঠানখনে ইতিমধ্যে সগৌৰৱে ২৫ টা বৰ্ষ গৰকিবলৈ সক্ষম হৈছে। সেয়ে বিদ্যালয় কৰ্তৃপক্ষই স্থানীয় ৰাইজৰ সহযোগত শিক্ষানুষ্ঠানখনৰ ৰূপালী জয়ন্তী উৎসৱটি বছৰজোৰাকৈ বৰ্ণিল কাৰ্যসূচীৰে উদ্‌যাপনৰ সিদ্ধান্ত গ্ৰহণ কৰে। তদনুযায়ী ইতিমধ্যে বছৰজোৰাকৈ নানা কাৰ্যসূচী পৰ্যায়ক্ৰমে সুচাৰুৰূপে সম্পন্ন হোৱাৰ পিছত এতিয়া উক্ত ৰূপালী জয়ন্তী উৎসৱৰ সামৰণি অনুষ্ঠান অহা ৩ আৰু ৪ জানুৱাৰীত দুদিনীয়া বিস্তৃত কাৰ্যক্ৰমণিকাৰে অনুষ্ঠিত হ'ব। প্ৰকাশিত কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱাৰ ভাগত পতাকা উত্তোলন, স্মৃতি তৰ্পন, বন্তি প্ৰজ্বলন, বৃক্ষৰোপণ, গছপুলি বিতৰণ, প্ৰদৰ্শনীৰ দ্বাৰ মুকলি, অসম ভিত্তিক চিত্ৰাংকন প্ৰতিযোগিতা আৰু বিশিষ্ট চিত্ৰকাৰৰ দ্বাৰা 'কলা জীৱনৰ বাবে, জীৱন সমাজৰ বাবে' শীৰ্ষক বিষয়ৰ ওপৰত চিত্ৰ অংকন কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব।

# বঢ়মপুৰত ১১ টা পথৰ শিলান্যাস বিধায়ক জিতু গোস্বামীৰ

**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে যোৱা ১৯ ডিচেম্বৰত বঢ়মপুৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত বঢ়মপুৰ গাঁও পঞ্চায়ত আৰু হালোৱা গাঁও-চলচলি গাঁও পঞ্চায়তত নতুনকৈ নিৰ্মাণ হ'বলগীয়া ১১ পথৰ শিলান্যাস কৰে। ২০২৪-২৫ বিত্তীয় বৰ্ষৰ এম. জি.এনৰেগা আঁচনিৰ অধীনত নিৰ্মাণ হ'বলগীয়া পথসমূহ হৈছে-মলিন বণিয়াৰ ঘৰৰ পৰা পদ্ম বৰাৰ ঘৰলৈ যোৱা পথ, বলিন বৰাৰ ঘৰৰ পৰা ধনছিংৰ ঘৰলৈ যোৱা পথ, খগেন শইকীয়াৰ ঘৰৰ পৰা হৰেন্দ্ৰ বণিয়াৰ ঘৰলৈ যোৱা পথ, তপন কলিতাৰ ঘৰৰ পৰা গোৱালাৰ ঘৰলৈ যোৱা পথ, কবিতা কলিতাৰ ঘৰৰ পৰা হৰি হালৈ ঘৰলৈ যোৱা পথ, দীপক নাথৰ ঘৰৰ পৰা কমল নাথৰ ঘৰলৈ যোৱা পথ, দেউৰী গাঁও PWD ৰাস্তাৰ পৰা দীপক গোস্বামীৰ ঘৰলৈ যোৱা পথ, বিপুল শইকীয়াৰ ঘৰৰ পৰা চলচলি জলাহগাঁও মহমৰা চুকলৈ যোৱা পথ, জুন দাধৰাৰ ঘৰৰ পৰা চলচলি বৰনামঘৰলৈ যোৱা পথ, চলচলি PWD ৰাস্তাৰ পৰা মাজিদ আলিৰ ঘৰলৈ যোৱা পথ। উক্ত পথ সমূহৰ আধাৰশিলা স্থাপন কৰি বিধায়ক জিতু গোস্বামীয়ে উক্ত পথসমূহৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱাৰ পিছত গ্ৰামাঞ্চলৰ ৰাইজ যাতায়তৰ ক্ষেত্ৰত যথেষ্ট উপকৃত হ'ব বুলি উল্লেখ কৰে।






Janasanyog RO no 3756/25/2-January-26










# কন্দলীৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, সমাজকৰ্মী নৰেন্দ্ৰ নাথ গগৈৰ মৃত্যু



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত কন্দলী কুঁৱৰী চুক গাঁও নিৱাসী, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা বিশিষ্ট সমাজকৰ্মী নৰেন্দ্ৰ নাথ গগৈৰ (৯৪) যোৱা ২৭ ডিচেম্বৰত পুৱা ১০.২৫ বজাত বাধক্যজনিত কাৰণত নিজ বাসভৱনত মৃত্যু হয়। কন্দলী অঞ্চলৰ ৪৪৪ নং জ্বৰগাঁও প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰধান শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰা নৰেন্দ্ৰ নাথ গগৈ নামৰ ব্যক্তিগৰাকী অঞ্চলটোৰ বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত আছিল। তেওঁৰ মৃত্যুত বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীকে অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। মৃত্যুৰ সময়ত তেওঁ তিনিগৰাকী পুত্ৰ, দুই গৰাকী জীয়ৰী, জোঁৱাইসহ আত্মীয় স্বজন,গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায়।























স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা